
Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, FEBRUARY 23, 2025 ■ দেওবাৰ, ১০ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৮ Guwahati, Assam ।। মূল্যঃ এটকা

## মাৰ্ঘেৰিটাত চিকিৎসকক প্ৰহাৰ



বিতং বাতৰি ৭ নং পৃষ্ঠাত

## সোণাৰিত এজাহাৰ দাখিল, ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত

# এইবাৰ শংকৰ সংঘক নিষিদ্ধ কৰাৰ দাবী 'টাইপা'ৰ

ই-সংবাদ, সোণাৰি, ২২ ফেব্ৰুৱাৰীঃ টাই আহোম জনগোষ্ঠীৰ পৰম্পৰাগত মে-ডাম-মে-ফি অনুষ্ঠানত অংশগ্ৰহণ কৰা লোকক ধৰ্মদণ্ড বিহাৰ লগতে সংস্কাৰৰ বাবে জাৰি কৰা নিৰ্দেশনাৰ পাছতেই সৃষ্টি হোৱা বিতৰ্কৰ অৱসান ঘটা নাই আজিও। এই ঘটনাৰ অৱসানৰ শেষাংশ ২ পৃষ্ঠাত

## সফলতাৰ পিছৰ কাহিনী

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

এই যাও এই যাওকৈ দুৱাৰদলিৰ পৰা উভতি চোৱা শীতৰ কোচত বহি সিদিনা চিনাকি দুজনমানৰ সৈতে শেষাংশ ৬ পৃষ্ঠাত

## 'পত্নী বিতৰ্ক'ত এইবাৰ বিধায়ক বিশ্বজিৎ ফুকনৰ এন্ট্ৰি

# বৰ্তমানক ঘোলা কৰি অতীত খন্দাত ব্যস্ত নেতা




অনাহক বিতৰ্ক! বি বৰুৱা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ

### ৰিণিকি, গীতাশ্ৰীৰ পিছত আহিল প্ৰাপ্তি

ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ ৰাজ্যৰ সৰ্বত্ৰে এতিয়া চলিছে নেতাৰ 'পত্নী বিতৰ্ক'। ২০ ফেব্ৰুৱাৰীত সদনত শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ ৩ পৃষ্ঠাত চাওক

### মৃদুল ইছলামৰ মৰণোত্তৰ প্ৰতিবেদন

## কন্দুৱা গেছ নহয়, ধমনীৰ ৰোগ-সুৰাই মৃত্যুৰ কাৰণ!

পৰিয়ালৰ অস্বীকাৰ




ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ, আদানিৰ উৎকোচ কাণ্ডৰ তদন্ত, এক দেশ এক নিৰ্বাচনৰ বিৰোধিতা, মণিপুৰৰ ৫ পৃষ্ঠাত

## ছাত্ৰ-ছাত্ৰীয়ে কঁপালে বি বৰুৱা মহাবিদ্যালয়

ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ গুৱাহাটীৰ মাজ-মজিয়াৰ ঐতিহ্যমণ্ডিত বি বৰুৱা মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে শেষাংশ ২ পৃষ্ঠাত

## কেম্পা পানীয় মুকলি মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটীত ৰিলায়েন্স শেষাংশ ৪ পৃষ্ঠাত



## পিএম মোদীৰ মুখ্য সচিব নিযুক্ত শক্তিকান্ত দাস

নতুন দিল্লী, ২২ ফেব্ৰুৱাৰীঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গভৰ্ণৰ শক্তিকান্ত দাসক শেষাংশ ৪ পৃষ্ঠাত

## যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰক গৃহবন্দী মহানগৰীত যুৱ কংগ্ৰেছৰ প্ৰতিবাদ, মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ



### কটকটীয়া নিৰাপত্তা

ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ ৰকিবুল হুছেইনৰ আক্ৰমণকাৰীক গ্ৰেপ্তাৰৰ দাবীত আজি কংগ্ৰেছৰ ভাতৃ সংগঠন যুৱ কংগ্ৰেছে প্ৰতিবাদ কৰাৰ শেষাংশ ৫ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীয়ে কৰিলে ঘোষণা

## ঝুমুৰৰ নাচনীয়ে পাব ২৫ হাজাৰ টকা



ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ মাদলৰ তালে তালে নাচি-বাগি বিশ্ব ৰেকৰ্ড গঢ়িবলৈ সাজু হৈছে মহানগৰীৰ সৰুসজাই ষ্টেডিয়াম। বিশ্ব ৰেকৰ্ডৰ ২ পৃষ্ঠাত চাওক

### চিবিএছই পৰীক্ষাত অনিয়ম কৰাৰ অভিযোগ

## ইউএছটিএমৰ আচাৰ্য মহবুবুলক মাজনিশা গ্ৰেপ্তাৰ



ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ ফ্লাড জেহাদকে ধৰি বিভিন্ন অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আক্ৰমণৰ লক্ষ্য ৪ পৃষ্ঠাত

## উৰাজাহাজত ভগা ছীটত বহি ক্ষুব্ধ শিৱৰাজ

নতুন দিল্লী, ২২ ফেব্ৰুৱাৰীঃ এয়াৰ ইণ্ডিয়াৰ বিমানত যাত্ৰা কৰাৰ সময়ত ভগা চিটত বহিবলৈ পাই ক্ষুব্ধ হৈ পৰিল কেন্দ্ৰীয় কৃষি মন্ত্ৰী তথা শেষাংশ ৫ পৃষ্ঠাত

## ৰাজহুৱা অনুষ্ঠানত মাছ-মাংস দিয়া বাবে কৰা হ'ল এঘৰীয়া!

### আকৌ বিতৰ্কত শংকৰ সংঘ

ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু টাইপাৰ মাজৰ সংঘাতৰ মাজতে পুনৰ বিতৰ্কত সোমাই পৰিছে শ্ৰীমন্ত শংকৰদেৱ সংঘ। আমিষ শেষাংশ ৬ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰ শংকৰ সংঘক নিষিদ্ধ কৰাৰ

বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘক ক্ষমা খোজাৰ আহ্বান জনোৱাৰ পাছতো বিষয়টোত গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰি টাই আহোম যুৱ পৰিষদ অসমৰ কেইগৰাকীমান সদস্যই সংঘৰ সংবিধানৰ প্ৰতিকৃতি দাহ কৰাৰ পাছত সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়া। ফলশ্ৰুতিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিভিন্ন শাখা, আঞ্চলিকে ৰাজ্যজুৰি টাইপাৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছিল। ইয়াৰ পাছতেই এতিয়া এই ঘটনাই অধিক জটিল ৰূপ লোৱা পৰিলক্ষিত হৈছে। এই ঘটনাৰ পাছত শেহতীয়াকৈ টাই আহোম জনগোষ্ঠীৰ দহটাৰো অধিক সংগঠনৰ যৌথ সভাই কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সংবাদ মেলৰ জৰিয়তে ঘোষণা কৰিছিল। সেই অনুসৰি আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিষয়ববীয়াৰ বিৰুদ্ধে আহোম জনগোষ্ঠীৰ পৰম্পৰাত আঘাত সনাৰ অভিযোগ উত্থাপন কৰি সোণাৰি আৰক্ষী থানাত গোচৰ দিয়ে। টাইপা চৰাইদেউ জিলা সমিতিয়ে সোণাৰি আৰক্ষী থানাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া,সেৱা বাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰি ভাৰতীয় সংবিধান অৱমাননাৰ অভিযোগ দাখিল কৰে। টাইপাৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰৰ নেতৃত্বত চৰাইদেউ জিলাৰ সোণাৰি সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰি সংবাদ মাধ্যমৰ আগত মন্তব্য আগবঢ়ায় কয় যে, আহোম জনগোষ্ঠীৰ পৰম্পৰাগত অনুষ্ঠান মে-ডাম-মে-ফি কোনো ধৰণৰ অসংস্কাৰী পৰম্পৰা নহয়। দুই হাজাৰ বছৰ পুৰণি পৰম্পৰা মে-ডাম-মে-ফিৰ জৰিয়তে দেশ-জাতিৰ মংগলৰ অৰ্থে আশীৰ্বাদ বিচৰা হয়। তেনেস্থলত এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যোৱা বাবেই এগৰাকী লোকক সংস্কাৰ হ'বলৈ দিয়া পৰামৰ্শই জনগোষ্ঠীটোৰ অনুভূতিত আঘাত সানিছে। সেয়েহে ভাৰতীয় সংবিধান অৱমাননা কৰি জনজাতীয় অনুভুতিক আঘাত হনাৰ বাবে শংকৰদেৱ সংঘক নিষিদ্ধ ঘোষণা কৰাৰ দাবীৰে শীঘ্ৰেই ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিব টাই আহোম যুৱ পৰিষদ অসমে। দুয়ো পক্ষৰ সংঘাতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাত্ৰ-ছাত্ৰীয়ে কঁপালে বি বৰুৱা

আজি প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যাপিকা গীতাশ্ৰী তামুলীৰ পক্ষত থিয় দি প্ৰতিবাদ সাব্যস্ত কৰে একাংশ শিক্ষাৰ্থীয়ে। হাতে-হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদত নামে শিক্ষাৰ্থীসকল। মুখ্যমন্ত্ৰীয়ে বিধানসভাত বি.বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ গীতাশ্ৰী তামুলীৰ নাম ৰাজনৈতিক কাৰণত লৈ কলেজখনক অপমান কৰাৰ অভিযোগ আনি প্ৰতিবাদ জনায়। মহাবিদ্যালয়খনৰ গেটত একাংশ ছাত্ৰ-ছাত্ৰী, একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে পোষ্টাৰ প্ৰদৰ্শন কৰে। হাতে হাতে পোষ্টাৰ লৈ ছাত্ৰ-ছাত্ৰীসকলে অধ্যাপিকাৰ নাম ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ আনে ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। প্ৰতিবাদী শিক্ষাৰ্থীয়ে কয় যে বাইদেউৰ জ্ঞানৰ পোহৰেৰে আমি আলোকিত। এগৰাকী ভাল শিক্ষয়িত্ৰীক মুখ্যমন্ত্ৰীয়ে কৰা অপমান নিন্দনীয়। বাইদেউ মানসিকভাৱে ভাগি পৰিছে। শিক্ষাক ৰাজনীতিৰে সাঙুৰিব নালাগে বুলিও কয় প্ৰতিবাদী শিক্ষাৰ্থীয়ে। এগৰাকী ছাত্ৰই কয় যে সদনত এনেদৰে বি. বৰুৱা কলেজৰ অসমীয়া বিভাগৰ গীতাশ্ৰী তামুলীৰ নাম বিধানসভাত লৈ অপমান কৰা হ'ল। বি. বৰুৱা কলেজৰ ছাত্ৰ সমাজে আচলতে লাজ পাইছে। এইখন এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত। নাকে এ-প্লাছ প্লাছ ৰেংক পাইছে। এনেখন মহাবিদ্যালয়ৰ আভ্যন্তৰীণ বিষয় এটা আৰু নিযুক্তিক লৈ প্ৰশ্ন উত্থাপন কৰাটো দুৰ্ভাগ্যজনক। কেইদিনমান আগত মুখ্যমন্ত্ৰীয়ে এইখন মহাবিদ্যালয় বৌদ্ধিক দিশ, আভ্যন্তৰীণ ক্ষেত্ৰত যথেষ্ট উন্নত বুলি কৈছিল। তাৰ পিছতো মুখ্যমন্ত্ৰীয়ে বি.বৰুৱা কলেজৰ এগৰাকী অধ্যাপিকাক এনেদৰে অপমান কৰাত ছাত্ৰ-ছাত্ৰীসকলে লাজ পাইছো। অখিল গগৈৰ পত্নীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ মন্তব্যৰ ফলত এতিয়া এনেদৰেই জাঙুৰ খাই উঠিছে বি বৰুৱা কলেজৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাৰ্থী।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝুমুৰৰ নাচনীয়ে পাব ২৫ হাজাৰ টকা

প্ৰত্যাশাৰে সৰুসজাই ষ্টেডিয়ামত বৰ্তমান চলি আছে চূড়ান্ত প্ৰস্তুতি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ৮,৮৮৮ গৰাকী ঝুমুৰ শিল্পীয়ে একে সময়তে একলে নৃত্য প্ৰদৰ্শন কৰি বিশ্ব ৰেকৰ্ড গঢ়িব। অসমৰ বৰ্ণিল লোক-সংস্কৃতিক বিশ্বক তুলি ধৰাৰ প্ৰয়াস কৰি ২৪ ফেব্ৰুৱাৰীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ঐতিহাসিক ঝুমুৰ বিনন্দিনী মহাসমাৰোহ। প্ৰায় ১০ হাজাৰ নৃত্যশিল্পীয়ে একেলগে ঝুমুৰ নৃত্য পৰিৱেশন কৰি বিশ্ব অভিলেখ গঢ়িব। ঝুমুৰ নৃত্য প্ৰদৰ্শনৰ বাবে সাজু ৮০০ খন বাগিচাৰ পৰা অহা শিল্পীসকলে আখৰা কৰি গৈছে। মাদল, ঢোল আদি ঐতিহ্যবাদ্যৰ সুৰেৰে মুখৰিত হৈছে আখৰা। অসমৰ চাহ জনগোষ্ঠী আৰু আদিবাসীসকলৰ পৰম্পৰাগত শিল্প-সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ লক্ষ্যলৈ শিল্পীসকলে অন্তিম আখৰা কৰি গৈছে। আজি মুখ্যমন্ত্ৰীয়ে গতিকে এই প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যবেক্ষণ কৰি শিল্পীসকলৰ সৈতে মতবিনিময় কৰিছে। কেবাগৰাকী মন্ত্ৰীৰ সৈতে সৰুসজাই ষ্টেডিয়াম ভ্ৰমণ কৰে। ড° শৰ্মাই এই অনুষ্ঠানলৈ কাইলৈ সকলো শ্ৰেণী-বৰ্ণৰ ৰাইজক অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ঝুমুৰ বিনন্দীয়াৰ জৰিয়তে আমাৰ সাংস্কৃতিক ভঁৰাল আৰু সমৃদ্ধ হ'ব বুলি কয়। এইয়া অসমীয়া ঐতিহ্যৰ বাবে এক গৌৰৱময় মুহূৰ্ত হ'ব। সৰুসজাইত সৰুসজাই ষ্টেডিয়ামত উপস্থিত হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তুতিৰ তদাৰক কৰি ঝুমুৰ বিনন্দিনীৰ প্ৰশিক্ষণ অব্যাহত থকাৰ সময়তে আজি মুখ্যমন্ত্ৰীয়ে কেইবাটাও ঘোষণা কৰে। ঝুমুৰ নৃত্য প্ৰদৰ্শনত অংশ লোৱা ৮,৮৮৮ গৰাকী শিল্পীৰ প্ৰতিগৰাকীক ২৫ হাজাৰকৈ টকা দিয়াৰ ঘোষণা কৰে। প্ৰমুখ্যমন্ত্ৰীয়ে প্ৰতিখন চাহ বাগিচাত সাংস্কৃতিক সংঘ গঠনৰো ঘোষণা কৰে। সাংস্কৃতিক সংঘ গঠন কৰিবলৈ বাগিচাসমূহক ২৫ হাজাৰকৈ টকা দিব। মুখ্যমন্ত্ৰী শৰ্মাই আৰু কয় যে ৮ হাজাৰতকৈও অধিক যুৱক-যুৱতীৰ ঝুমুৰ নৃত্য প্ৰদৰ্শন চাবলৈ ৰাজ্যখনত প্ৰথমবাৰৰ বাবে ৬০ খন দেশৰ ৰাষ্ট্ৰদূত একত্ৰিত হ'ব। ৮,৫০০ যুৱক-যুৱতীৰ প্ৰদৰ্শন ২৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৫:৩০ বজাত আৰম্ভ হ'ব। ইয়াৰ সাক্ষী হ'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জয়শংকৰ আৰু ৬০ খন দেশৰ ৰাষ্ট্ৰদূত উপস্থিত থাকিব। ঝুমুৰ নৃত্য প্ৰদৰ্শনে আমাৰ চাহ উদ্যোগৰ সমৃদ্ধ সংগীত আৰু নৃত্য পৰম্পৰা বিশ্বৰ সন্মুখত স্থাপন কৰাই আমাৰ প্ৰয়াস। যিয়ে ২০০ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠানক লৈ মন্তব্য প্ৰদান কৰিছে। নৰেন্দ্ৰ মোদীয়ে কয় “২৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া মই গুৱাহাটীৰ জীৱন্ত চহৰৰ ঝুমুৰ বিনন্দীয়া কাৰ্যসূচীত উপস্থিত থাকিম। এই কাৰ্যসূচীত অসমৰ সংস্কৃতি, বিশেষকৈ চাহ জনজাতি আৰু ৰাজ্যখনৰ অন্যান্য জনজাতীয় সম্প্ৰদায় উদযাপন কৰা হ'ব। কেন্দ্ৰীয় আৰু অসম চৰকাৰে তেওঁলোকৰ কল্যাণৰ বাবে নিৰন্তৰ কাম কৰি আছে। ২৫ ফেব্ৰুৱাৰীত এডভান্টেজ অসাম বিনিয়োগ সন্মিলনত অংশগ্ৰহণ কৰিম। যিয়ে ৰাজ্যখনৰ উন্নয়নমূলক যাত্ৰাত গতি বৃদ্ধি কৰিব বিচাৰে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কয় যে প্ৰথমবাৰৰ কাৰণে ঝুমইৰ নৃত্য উপস্থাপনৰ বাবে প্ৰয়াস কৰিছো। ২৪ ফেব্ৰুৱাৰীত ঝুমুৰ নৃত্যৰে অভিলেখ গঢ়িব ৰাজ্য চৰকাৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰ্তমানক ঘোলা কৰি অতীত খন্দাত

পত্নীৰ নাম লৈছিল যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিষয়টোৰ পৰা ফালৰি কটা পৰিলক্ষিত হৈছে। গুৱাহাটীৰ বি বৰুৱা কলেজৰ অধ্যাপিকা গীতাশ্ৰী তামুলীৰ চাকৰিক লৈ সদনৰ ভিতৰত মুখ্যমন্ত্ৰীয়ে সন্দেহ ব্যক্ত কৰাত একাংশ লোকে মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰিছিল। আনকি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সামাজিক মাধ্যমযোগে গীতাশ্ৰীৰ জ্ঞান-গৰিমাক লৈ প্ৰশ্ন কৰা কাৰ্যক লৈ সৰৱ হৈ পৰিছিল। তাৰ ফলত বিষয়টোৰ পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ফালৰি কাটি আহিছিল যদিও আজি কোদোৰ বাঁহত জুই লগালে সৰুপথাৰৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বিশ্বজিৎ ফুকনে। বিশ্বজিৎ ফুকনে অখিল গগৈক ওভতি ধৰি গীতাশ্ৰী তামুলীৰ চাকৰি লাভৰ বিষয়টোত সন্দেহ ব্যক্ত কৰে। গীতাশ্ৰীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত দ্বিতীয় বিভাগতহে উত্তীৰ্ণ হোৱাৰ ফলত মহাবিদ্যালত চাকৰি লাভত হেঙাৰ হোৱাৰ সন্দেহ কৰে বিশ্বজিৎ ফুকনে। বিশ্বজিৎ ফুকনে লগতে কয় যে উচ্চতৰ মাধ্যমিকৰ নম্বৰ কলেজ শিক্ষকৰ সাক্ষাৎকাৰত গুৰুত্বপূৰ্ণ। ২০১১ চনত বি বৰুৱাত সাক্ষাৎকাৰ দিয়াৰ সময়ত পিএইচডিও সম্পূৰ্ণ কৰা নাছিল। সাক্ষাৎকাৰত পিএইচডিৰ নম্বৰ থাকে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ'ল্ড মেডেলিষ্ট নাছিল আৰু বিশ্ববিদ্যালয়খনত গ'ল্ড মেডেলিষ্ট দিয়া নিয়ম ২০২৩ চনতহে আৰম্ভ হৈছে বুলি কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ফুকনে। কিয়নো কালি বিধানসভাৰ চৌহদত অখিল গগৈয়ে পত্নী গীতাশ্ৰী তামুলী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ'ল্ড মেডেলিষ্ট আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰত স্বৰ্ণ পদকপ্ৰাপ্ত বুলি দাবী কৰিছিল। সৰুপথাৰৰ বিধায়কে এই অভিযোগ সামাজিক মাধ্যমযোগে উত্থাপন কৰিবহে পালে, একাংশ লোকে উভতি ধৰিবলৈ আৰম্ভ কৰি বিশ্বজিৎ ফুকনক। এইবাৰ বিশ্বজিৎ ফুকনক আক্ৰমণৰ লক্ষ্য কৰি লৈ পত্নী ড০ প্ৰাপ্তি বৰঠাকুৰে কেনেকৈ কলেজ অধ্যক্ষ পদত অধিষ্ঠিত হ'ল তাকে লৈ প্ৰশ্ন উত্থাপন হ'ব ধৰিছে। সৰুপথাৰ কলেজত প্ৰাপ্তি ঠাকুৰতকৈ ৫ বছৰৰ আগতেই পিএইচডি প্ৰাপ্ত জ্যেষ্ঠ অধ্যাপক থকাৰ পিছতো প্ৰাপ্তি বৰঠাকুৰ কেনেকৈ অধ্যক্ষ হ'ল বুলি প্ৰশ্ন উত্থাপন কৰিব ধৰিছে। ইপিনে ৰাইজৰ দলৰ ভাতৃ সংগঠন জাতীয় যুৱ বাহিনীৰ নেতা লক্ষ্যজোতি গগৈয়ে সামাজিক মাধ্যমযোগে বিধায়ক ফুকনক লক্ষ্য কৰি লয়। লক্ষ্যজ্যোতি গৈগেয়ে কয় যে বিশ্বজিত ফুকন ডাঙৰীয়া, আপোনাৰ পত্নী ড০ প্ৰাপ্তি বৰঠাকুৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ নিৰ্বাচন হোৱাৰ বিষয়টোৰ ওপৰত সকলোৰে সন্দেহ আছে। অভিযোগ অনুসৰি আপোনাৰ পত্নীৰ চাকৰি কাল পোন্ধৰ বছৰ নোহোৱাৰ বাবেই জ্যেষ্ঠ শিক্ষক থকাৰ পাছতো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনা অহাৰ পাছতো তিনিবছৰ স্থায়ী অধ্যক্ষ নিযুক্তি নিদিয়াকৈ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দ্বাৰা মহাবিদ্যালয় পৰিচালনা কৰিছিল। সেই সময়ছোৱাত আপুনিয়েই মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। আপোনাৰ সাহস আছে যদি অখিল গগৈৰ দৰেই এই অভিযোগৰ তদন্ত কৰিবলৈ চিঠি দিয়কচোন। আনহাতে লক্ষ্যজ্যোতি গগৈয়ে কয় যে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ সিদ্ধেশ্বৰ বৰা ডাঙৰীয়াই অৱসৰ লৈছিল ৩০ জুন ২০২১ তাৰিখে। তেওঁৰ অৱসৰ লোৱাৰ পিছত নতুনকৈ অধ্যক্ষ নিযুক্তিৰ বাবে আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিছিল। কিন্তু তাকে নকৰি মণিপ্ৰভা বৰাক ১ জুলাই ২০২১ তাৰিখে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব দিয়ে। তেওঁ অৱসৰ গ্ৰহণ কৰে ৩১ আগষ্ট ২০২২ তাৰিখে। অৱসৰ গ্ৰহণ কৰাৰ পিছত বিশ্বজিৎ ফুকনৰ পত্নী প্ৰাপ্তি ঠাকুৰে অধ্যক্ষ হিচাপে যোগদান কৰে ১ চেপ্তেম্বৰ ২০২২ তাৰিখে। অভিযোগ অনুসৰি, প্ৰাপ্তি ঠাকুৰে চাকৰিত যোগদান কৰিছিল ২০০৭ বৰ্ষত। ২০২২ চনতহে তেওঁৰ ১৫ বছৰ সম্পূৰ্ণ হয় আৰু অধ্যক্ষৰ ইন্টাৰভিউ দিবলৈ ১৫ বছৰ চাকৰি কৰাৰ অভিজ্ঞতা থাকিব লাগিব। সেইবাবে তেওঁ যাতে অধ্যক্ষৰ ইন্টাৰভিউত বহিব পাৰে তাৰ বাবেই ১ বছৰ দিন অধ্যক্ষ পদৰ চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়া ৰখাই দিয়া হ'ল। যাৰ বাবে ইউজিচিৰ পৰা তিনিখনকৈ নটিছ আহিছিল। সেই সময়ছোৱাত বিধায়ক ফুকন কলেজখনৰ গভৰ্ণিং বডিৰ আমন্ত্ৰিত বিশেষ সদস্য আছিল আৰু সিদ্ধেশ্বৰ শইকীয়া নামৰ গভৰ্ণিং বডিৰ সভাপতিজন বিধায়ক ফুকনৰ একেবাৰে ঘনিষ্ঠ ব্যক্তি আছিল। এতিয়া এনেদৰে তিনি নেতাৰ তিনি পত্নীৰ চৰ্চা হ'বলৈ ধৰিছে। পত্নীৰ প্ৰসংগ লৈ ৰাজ্যৰ ৰাজনীতি ধুৱলী-কুঁৱলী হৈ পৰিছে। মুখ্যমন্ত্ৰী, বিধায়কৰ পত্নীৰ চৰ্চা এতিয়া সৰ্বত্ৰে আৰম্ভ হৈছে। অসমৰ মৌলিক সমস্যাৰ চৰ্চা কৰাৰ পৰিৱৰ্তে একাংশ ৰাজনীতিক এতিয়া পত্নীৰ চৰ্চাত ব্যস্ত হৈছে। অসম বিধানসভাৰ  চলিত বাজেট অধিৱেশনৰ তৃতীয়টো দিনত মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মা আৰু শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ মাজৰ তৰ্কযুদ্ধত স্থান পাইছিল দুয়োগৰাকী নেতাৰ পত্নীৰ প্ৰসংগই। সদনত হিমন্ত আৰু অখিলৰ মুখ চুপতিত ঠাই পাইছিল মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ প্ৰাইভেট স্কুল নিৰ্মাণ আৰু অখিল গগৈৰ পত্নী গীতাশ্ৰী তামুলীৰ চাকৰি আৰু চানমাৰিত ঘৰ ক্ৰয় কৰাৰ প্ৰসংগ। বিশেষকৈ মুখ্যমন্ত্ৰীয়ে অখিল পত্নী গীতাশ্ৰী তামুলীয়ে চাকৰি কেনেকৈ লৈছিল সেই প্ৰশ্ন কৰি বহু অভিযোগ থকা বুলি কৈছিল। ইজনে সিজন নেতাৰ পত্নীৰ প্ৰসংগ উল্লেখ কৰাত একাংশ লোকে বিধানসভাত পত্নীৰ চৰ্চা কৰিবলৈ নেকি বুলি প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে। ইতিমধ্যে অখিল গগৈ আৰু পত্নী গীতাশ্ৰী তামুলীয়ে পৃথকে পৃথকে বি বৰুৱা কলেজ কৰ্তৃপক্ষ আৰু উচ্চ শিক্ষা সঞ্চালকক পত্ৰ প্ৰদান কৰি চাকৰি সাক্ষাৎকাৰকে ধৰি প্ৰক্ৰিয়াটোৰ তদন্ত কৰিবলৈ দাবী উত্থাপন কৰিছে। অখিল গগৈয়ে মুখ্যমন্ত্ৰীক পত্নীৰ চাকৰি আৰু ঘৰ ক্ৰয়ৰ বিষয়টোক লৈ দুখন পত্ৰ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীক পত্ৰ প্ৰদান কৰি পত্নীৰ চাকৰি আৰু ঘৰটোৰ বিষয়ে তদন্ত কৰিবলৈ আহ্বান জনাইছে অখিল গগৈয়ে। চানমাৰিৰ নিজৰাপাৰৰ বাসগৃহ ক্ৰয় আৰু পত্নীৰ চাকৰিত যদি দুৰ্নীতি আছে, তাৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক অখিল গগৈয়ে পত্ৰ দিয়াৰ বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অখিল গগৈৰ পত্নীৰ পিছতে এইবাৰ আন এগৰাকী বিধায়ক বিশ্বজিৎ ফুকনৰ পত্নীৰ কলেজ অধ্যক্ষ পদৰ প্ৰসংগক লৈ ৰাজ্যৰ ৰাজনীতি উত্তাল হৈ পৰিছে। ইয়াৰ মাজতে, সন্ধিয়াৰ ভাগত বিষয়টোক লৈ পুনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে গীতাশ্ৰী তামুলীয়ে উচ্চতৰ মাধ্যমিকত দ্বিতীয় বিভাগহে পাইছিল। এই কথা এতিয়া ৰাইজেই কৈ আছে। অখিল গগৈৰ পত্নী গীতাশ্ৰী তামুলীৰ নিযুক্তিক লৈ ঢেকিয়াজুলিৰ এগৰাকী অধ্যাপকে দিয়া উত্তৰৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে কয় যে গীতাশ্ৰী তামুলীতকৈ অধ্যাপকগৰাকীৰ মাৰ্কশ্বিট ভাল আছিল। বিষয়টোক লৈ বিধায়ক অখিল গগৈ আৰু তেওঁৰ পত্নী গীতাশ্ৰী তামুলীয়ে তদন্ত বিচৰা কাৰ্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় তেওঁ নিজেহে নিজৰ তদন্ত কৰিব লাগে। শিক্ষামন্ত্ৰী হৈ থাকোঁতেই হিমন্ত বিশ্ব শৰ্মাই এই অনিয়মৰ কথা জানিছিল বুলিও সাংবাদিকৰ আগত মন্তব্য কৰে। একেদৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়তো গীতাশ্ৰী তামুলীয়ে কোনো সোণৰ পদক পোৱা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় সেই সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সোণৰ পদক দিয়া ব্যৱস্থাই নাছিল। গতিকে তদন্তৰ কোনো দৰকাৰ নাই, সকলো কথা জলজল পটপট হৈ আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে তেওঁলোকক নৈতিকভাৱে নিজৰ দায়িত্ব স্বীকাৰ কৰিবলৈ আহ্বান জনায়। আনক নীতি শিক্ষা দিয়াতকৈ নিজে নীতি নিয়ম পালন কৰক বুলি কটাক্ষ কৰে মুখ্যমন্ত্ৰীয়ে। চৰকাৰে তদন্ত কৰি সময় নষ্ট কৰাতকৈ ৰাইজে দুয়োগৰাকীৰে মাৰ্কশ্বিট দুখন চালেই গম পাব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পিছতে অখিল গগৈয়ে পুনৰ ছ'চিয়েল মিডিয়াযোগে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে মিছা অপবাদ দি ধৰা পৰিল আৰু এতিয়া পলাব খুজিছে। এইবাৰ পলাবলৈ দিয়া নহ'ব। নৈতিকতাৰ কথা ক'ৰ পৰা আহিল? কেলেংকাৰী কৰিছো যদি তদন্ত কৰি আমাক শাস্তি দিয়াটোহে মুখ্যমন্ত্ৰীৰ কাম। মুখ্যমন্ত্ৰীয়ে চালে-বেৰে কোবোৱা কথা কৈ পলাব নোৱাৰে। গীতাশ্ৰীৰ নিযুক্তি আৰু ঘৰ ক্ৰয়ৰ তদন্ত লাগে। গীতাশ্ৰীয়ে চাকৰি এৰিবলৈ আৰু আমি ঘৰ চৰকাৰক চমজাই দিবলৈ ৰৈ আছো।" এতিয়া ৩ ৰাজনৈতিক নেতাৰ পত্নীৰ কাহিনীক লৈ উত্তাল হৈ পৰিছে ৰাজ্যৰ ৰাজনীতি।  পত্নীকেন্দ্ৰিক ৰাজনীতিয়ে আমোদ দিছে নেটিজেনকো।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউএছটিএমৰ আচাৰ্য মহবুবুলক

কৰি লোৱা মেঘালয়ৰ ইউএছটিএম নামৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য মহবুবুল হকক কালি নিশা প্ৰায় ডেৰ বজাত গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীয়ে। মহানগৰীৰ ভেটাপাৰাৰ সমীপৱৰ্তী ঘোঁৰামৰাৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি নিশা প্ৰথমে মহবুবুল হকক নিয়া হয় পাণবজাৰ আৰক্ষী থানালৈ। তাৰ পিছতে নিয়া হয় বৰাক উপত্যকাৰ শ্ৰীভূমি জিলালৈ। আজি পুৱাৰ ভাগত আৰক্ষীৰ দলটো শ্ৰীভূমিৰ পাথাৰকান্দি আৰক্ষী থানাত উপস্থিত হৈ পৰীক্ষা কেন্দ্ৰত বিশেষ সুবিধা প্ৰদানৰ অভিযোগ সন্দৰ্ভত সোধ-পোছা কৰে হকক। উল্লেখ্য যে, চিবিএছইৰ শ্ৰীভূমিৰ পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ অন্যতম মালিকীস্বত্বত আছে মহবুবুল হক। আনহাতে, ইআৰডি নামৰ এটা ফাউণ্ডেচন চলাই হকে। ইআৰডি নামৰ এটা ফাউণ্ডেচৰ অন্তৰ্গত পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলক চলিত চিবিএছইৰ পৰীক্ষাৰ কেন্দ্ৰ কৰা হৈছে। পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ পৰীক্ষাকেন্দ্ৰত কালি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰীক্ষা কেন্দ্ৰটোত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ ইআৰডি ফাউণ্ডেচনৰ অধীনৰ শিক্ষানুষ্ঠানৰ ২১৪গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা হ'লত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। চকী-মেজ ভাঙি পেলাইছিল। পৰীক্ষাৰ্থীকসকলক বিশেষ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ আনি সেই সুবিধা নোপোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাত আৰক্ষীয়ে বিষয়টোক গুৰুত্ব সহকাৰে লয়। আৰক্ষীয়ে দণ্ডাধীশৰ উপস্থিতিত পৰীক্ষাৰ্থীৰ ভাষ্য সংগ্ৰহ কৰাৰ লগতে কেইবাগৰাকী লোকে পৰীক্ষাৰ্থীৰ সৈতে বুজাবুজি কৰাৰ তথ্য লাভ কৰে। ধনৰ লেনদেনৰ সন্দেহ কৰি ৫৪/২০২৫ নম্বৰত গোচৰ ৰুজু কৰে। গোচৰৰ ভিত্তিত নিশাই ইআৰডি ফাউণ্ডেচন আৰু পথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ মালিকীস্বত্বৰ সৈতে জড়িত মহবুবুল হকক গ্ৰেপ্তাৰ কৰে। ধন লৈ পৰীক্ষাৰ্থীক উত্তীৰ্ণ কৰোৱাৰ অভিযোগক লৈ মহবুবুল হকৰ পৰিয়াল তথা মুখ্য শিক্ষানুষ্ঠান ইউএছটিএম কৰ্তৃপক্ষই কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। আচাৰ্য মহবুবুল হকৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি হকক প্ৰৱঞ্চক আখ্যা দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ এটা ডাঙৰ চক্ৰক লক্ষ্য কৰি আছিলো। এটা চক্ৰই মেডিকেল, ইঞ্জিনিয়াৰিঙৰ প্ৰৱেশ পৰীক্ষা আৰু চিবিএছই পৰীক্ষাৰ শিক্ষাৰ্থীৰ চেণ্টাৰ সলনি কৰে আৰু কিছু নিৰ্দিষ্ট স্কুললৈ লৈ যায়। এনে কৰাৰ আঁৰত তেওঁলোকৰ এক অনৈতিক ব্যৱস্থা লুকাই আছে। শিক্ষা ব্যৱস্থাত এনে অপকৰ্ম ৰুধিবলৈ আমি দায়বদ্ধ। বিভিন্ন পৰীক্ষাত নম্বৰ বঢ়াই দিয়া চক্ৰ। মহবুবুল হক ইতিহাসৰ ডাঙৰ প্ৰৱঞ্চক। অসমৰ একাংশ বুদ্ধিজীৱীক তেওঁৰ অধীনলৈ লৈ গৈছে। অসমক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা চলাইছে। লাহে লাহে সকলো ওলাই পৰিব। অসমৰ শিক্ষা বজাৰলৈ ৰূপান্তৰ নহয়, তাৰ প্ৰচেষ্টা কৰি থাকিম। বিশ্ববিদ্যালয়ত পিএইচডি গৱেষণা কৰি আছে, কিন্তু, ছুটী লোৱা নাই। কাম আৰু পিএইচডি দুয়োটা একেলগে হ'ব নোৱাৰে। লাহে লাহে সকলোবোৰ ওলাই পৰিব। আনহাতে জেৰাৰ সময়ত আৰক্ষী থানাৰ চৌহদত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি হকে কয় যে ষ্টুডেণ্টক নকল কৰিব নিদিয়াৰ বাবে আমাক ইয়ালৈ আনিছে। মই একোৱেই নাজানো। এই অভিযোগে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পিএম মোদীৰ মুখ্য সচিব নিযুক্ত

প্ৰদান কৰা হ'ল এক গুৰু দায়িত্ব। শনিবাৰে শক্তিকান্ত দাসক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বিতীয় মুখ্য সচিব হিচাপে নিযুক্তি দিয়া হয়। চৰকাৰী অধিসূচনা অনুসৰি মোদীৰ কাৰ্যকাল শেষ নোহোৱালৈকে বা পৰৱৰ্তী নিৰ্দেশ নোহোৱালৈকে তেওঁ এই পদত থাকিব। উল্লেখ্য যে, বৰ্তমান প্ৰধানমন্ত্ৰীৰ মুখ্য সচিবৰূপে কাৰ্যনিৰ্বাহ কৰি আছে প্ৰমোদ কুমাৰ মিশ্ৰই। এইবাৰ তেওঁৰ সৈতে একেটা পদতে নিযুক্তি প্ৰদান কৰা হৈছে শক্তিকান্ত দাসকো। ১৯৮০ বেচৰ এইগৰাকী আইএএছ বিষয়াক ২০১৮ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ২৫ সংখ্যক গভৰ্ণৰ নিযুক্তি দিয়া হৈছিল। ২০২৩ চনত তেওঁৰ কাৰ্যকালৰ অন্ত পৰাৰ কথা আছিল যদিও পিছত মোদী চৰকাৰে ২০২৪ৰ ১০ ডিচেম্বৰলৈ কাৰ্যকাল বৃদ্ধি কৰিছিল। প্ৰণিধানযোগ্য যে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ হিচাপে শক্তিকান্ত দাসে ক'ভিড-১৯ মহামাৰীৰ সময়ত দেশৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ কঠিন কাম চম্ভালিছিল। মহামাৰীৰ পৰা ভাৰতৰ দ্ৰুত আৰোগ্য লাভৰ ক্ষেত্ৰত শক্তিকান্ত দাসে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি দাবী কৰি আহিছে চৰকাৰ আৰু একাংশ অৰ্থনীতিবিদে। অন্যহাতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত তেওঁক প্ৰদান নতুন ভূমিকাত তেওঁ নিজৰ অভিজ্ঞতাৰে দেশৰ অৰ্থনৈতিক নীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেম্পা পানীয় মুকলি মুখ্যমন্ত্ৰীৰ

কনজ্যুমাৰ প্ৰডাক্টছ লিমিটেড (আৰচিপিএল)-ৰ কেম্পা পানীয়ৰ নতুন বটলিং প্ৰতিষ্ঠানৰ উদ্বোধন কৰে। উত্তৰ গুৱাহাটীত আজি মুখ্যমন্ত্ৰীয়ে শীতল পানীয়ৰ উদ্যোগটোৰ বটলিং প্ৰতিষ্ঠান মুকলি কৰে। ৬ লাখ বৰ্গফুট জুৰি বিস্তৃত এই প্ৰতিষ্ঠানটোৱে উত্তৰ-পূৰ্বাঞ্চলত কেম্পা ব্ৰেণ্ডৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীয়ে। এই প্ৰতিষ্ঠানৰ প্ৰাৰম্ভিক উৎপাদন ক্ষমতা হৈছে বছৰি ১০০ নিযুত লিটাৰ কাৰ্বনেটেড চফ্ট ড্ৰিংকছ (চিএছডি) আৰু প্ৰায় ১৮০ নিযুত লিটাৰ বটলজাত পানী। অসমত চাহিদা পূৰণ কৰাৰ লগতে ইয়াৰ জৰিয়তে সমূহীয় কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। কেম্পাৰ সুলভ মূল্যত গুণগত পানীয় উৎপাদনৰ প্ৰচেষ্টাক সাধুবাদ জনাই অসমৰ উদ্যোগিক বিকাশত এই প্ৰতিষ্ঠানৰ অৰিহণাৰ আশা ব্যক্ত কৰে। স্থানীয় কোম্পানী জেৰিক'ৰ সহযোগিতাত স্থাপিত এই প্ৰতিষ্ঠানত আধুনিক বটলিং প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছে। য'ত ৬০০ বি.পি.এম.ৰ চিএছডি লাইন আৰু ৫৮৩ বি.পি.এম.ৰ পানী উৎপাদন লাইন অন্তৰ্ভুক্ত। ইয়াৰ জৰিয়তে কেম্পা কোলা, কেম্পা অৰেঞ্জ, কেম্পা লেমন, পাৱাৰ আপ, আৰু ইণ্ডিপেণ্ডেন্স ৱাটাৰ ব্ৰেণ্ডৰ বটলজাত পানী তৈয়াৰ কৰা হ'ব। আৰচিপিএলৰ মুখ্য কাৰ্যবাহী বিষয়া কেতন মোদীয়ে এই প্ৰতিষ্ঠানে স্থানীয় অৰ্থনৈতিক বিকাশত গতি আনি দিব বুলি কয়। আনহাতে জেৰিক'ৰ প্ৰতিষ্ঠাপক আশীষ আগৰৱালে অসমক এটা আগশাৰীৰ উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিয়ে। গুৱাহাটীৰ এই প্ৰতিষ্ঠানৰ প্ৰধান সেৱা ক্ষেত্ৰ হ'ব অসম, উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ বংগ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত যুৱ কংগ্ৰেছৰ প্ৰতিবাদ

কথা আছিল যদিও পুৱাৰে পৰা গুৱাহাটী আৰক্ষীয়ে যুৱ কংগ্ৰেছৰ নেতাক গৃহবন্দী কৰে। গুৱাহাটীৰ বিভিন্ন এলেকাত আৰক্ষী-অৰ্ধসামৰিক বাহিনী মোতায়েন কৰি প্ৰতিবাদ কঠোৰ হাতেৰে দমনৰ প্ৰয়াস কৰে। পঞ্জাবাৰীৰ ঘৰত যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমক গৃহবন্দী কৰা হয়। পুৱাই জুবেৰৰ ঘৰত বৃহৎ আৰক্ষীৰ দল উপস্থিত হৈ ঘৰ ঘেৰাও কৰে। এই খবৰ লাভৰ পিছতে শ-শ যুৱ কংগ্ৰেছৰ নেতা-কৰ্মী ৰাজপথলৈ ওলাই আহিবলৈ আৰম্ভ কৰে। পাঞ্জাবাৰীৰ জুবেৰ আনমৰ গৃহ এলেকাত কেইবা শতাধিক যুৱ কংগ্ৰেছী উপস্থিত হৈ চৰকাৰ বিৰোধী শ্ল’গান দিবলৈ আৰম্ভ কৰে। একাংশ যুৱ কংগ্ৰেছীয়ে ছয়মাইলত আৰু আন একাংশই উলুবাৰীৰ অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দিবলৈ আৰম্ভ কৰে। একে সময়তে তিনি ঠাইত যুৱ কংগ্ৰেছীসকলে চৰকাৰ বিৰোধী শ্ল’গান দি ৰাজপথতে প্ৰতিবাদ আৰম্ভ কৰাত ৰাজপথত যাতায়ত স্থবিৰ হৈ পৰে। কিন্তু আৰক্ষীয়ে পূৰ্বেই ৰাজপথত বেৰিকেড লগাই সাজু হৈ আছিল। আৰক্ষীয়ে যুৱ কংগ্ৰেছৰ প্ৰতিবাদ বিফল কৰিবলৈ প্ৰয়াস কৰে যদিও যুৱ কংগ্ৰেছীসকলে ছয়মাইল-কলাক্ষেত্ৰ পথ অৱৰোধ কৰে। অসম পুলিচ গ’ বেক, অসম পুলিচ হায় হায়, হিমন্ত বিশ্ব হুঁচিয়াৰ, বিজেপি গ’ বেক, আক্ৰমণকাৰীক ৰক্ষণাবেক্ষণ দিয়া অসম আৰক্ষী হায় হায়, ভেৰোণীয়া বাহিনীক ৰক্ষণাবেক্ষণ দিয়া মুখ্যমন্ত্ৰী হায় হায় আদি শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ছয়মাইল-কলাক্ষেত্ৰত পথ অৱৰোধ কৰাৰ লগতে যুৱ কংগ্ৰেছৰ এটা গোটে উলুবাৰীত ডিজিপিৰ কাৰ্যালয়তো প্ৰতিবাদ সাব্যস্ত কৰে। সেই সময়ত দুয়ো ঠাইতে যুৱ কংগ্ৰেছী আৰু আৰক্ষীৰ হতাহতি হয়। পাঞ্জাবাৰী আৰু ছয়মাইলত মুখ্যমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কৰে যুৱ কংগ্ৰেছীয়ে। গুৱাহাটীত যুৱ কংগ্ৰেছৰ প্ৰতিবাদত অংশগ্ৰহণৰ পূৰ্বে যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমক গৃহবন্দী কৰা ৰখা হয়। বিভিন্ন ঠাইত প্ৰতিবাদ কৰাত ধুবুৰী জিলা যুৱ কংগ্ৰেছৰ সম্পাদক কাজি এনামুল হাছানক আটক কৰে আৰক্ষীয়ে। প্ৰতিবাদী যুৱ কংগ্ৰেছীসকলে কয় যে আমি সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণকাৰীক গ্ৰেপ্তাৰৰ দাবীত ডিজিপি কাৰ্যালয়ত স্মাৰক দিব খুজিছিলো। কিন্তু আৰক্ষীয়ে বাধা দিয়াত মহানগৰীৰ উলুবাৰী, পাঞ্জাবাৰী আৰু ছয়মাইলত যুৱ কংগ্ৰেছে প্ৰতিবাদ কৰে। আমি যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমক আটকৰ গৰিহণা দিছো। জুবেৰ আনমক পুৱাৰে পৰা গৃহবন্দী কৰাত ঘৰৰ সীমাৰ দেৱালৰ সীপাৰে থাকি যুৱ কংগ্ৰেছৰ নেতা-কৰ্মী আৰু সাংবাদিকৰ সৈতে কথা পাতে। জুবেৰ আনমে কয় যে মই পুৱাৰ পৰা বন্দী কৰা ৰাখিছে। পুৱাই বৃহৎ আৰক্ষী মোৰ ঘৰলৈ আহে। আৰক্ষী আহি কৈছে যে মই ঘৰৰ পৰা ওলাই যাব নোৱাৰো। গণতন্ত্ৰত এইটো কি নিয়ম হ’ল? আজি আমি অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ ওচৰৈল গৈ এখন স্মাৰক পত্ৰ দিব খুজিছিলো। এখন স্মাৰক পত্ৰ দিব যাব নিদিবলৈ অসম আৰক্ষীয়ে ইমান কষ্ট কৰি আছে। যিখিনি কালপ্ৰিটে ৰকিবুল হুছেইনক আক্ৰমণ কৰিছে সেইখিনিক আটক কৰক। সেইখিনি কৰিলে আমি ঘৰৰ পৰা ওলাই যোৱাৰ প্ৰয়োজন নাই। আমি ডিজিপিক গৈ সুধিব খুজিছিলো আপুনি ৰাজনৈতিক হেঁচাত কাম কৰিব পৰা নাই নে আপোনাৰ সামৰ্থ্য নাই? দুটা প্ৰশ্নৰ আমি উত্তৰ জানিব খুজিছিলো। যদি ৰাজনৈতিক হেঁচাত কাম কৰিব পৰা নাই তেন্তে পদত্যাগ কৰক ডিজিপিয়ে। ইফালে, আজি পুনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। দিন দুপৰতে দুৰ্বৃত্তই আক্ৰমণ কৰা ঘটনাৰ তদন্ত কৰিবলৈ একো নাই বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। কংগ্ৰেছে দাবী কৰাৰ দৰে ভিজুৱেল চাই কোনো তদন্ত কৰিব পৰা নাযায়। এই সমগ্ৰ ঘটনা নিজৰ মাজতে কাজিয়াৰ পৰিণতি হ’ব পাৰে। ৰকিবুল হুছেইনে নিজেই বিচৰা নাই এই আক্ৰমণৰ তদন্ত। তদন্ত বিচৰা হ’লে ৰকিবুল হুছেইনে প্ৰথমে থানাত এজাহাৰ দিলেহেঁতেন। কিন্তু ৰকিবুল হুছেইনে থানাত এজাহাৰ দিলে ঘটনাৰ ২৪ ঘণ্টা পাছত। আৰক্ষীয়ে কোৱাৰ পাছতো হুছেইনে কৰোৱা নাছিল মেডিকেল পৰীক্ষা। ৪৮ ঘণ্টালৈকে পৰীক্ষা কৰোৱা নাছিল ৰকিবুল হুছেইনে। স্বাস্থ্য পৰীক্ষা নকৰোৱা এজন ব্যক্তিৰ কেনেদৰে তদন্ত কৰিব বুলি প্ৰশ্ন কৰে মুখ্যমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কন্দুৱা গেছ নহয়, ধমনীৰ ৰোগ-সুৰাই

হিংসা ৰোধ কৰি শান্তি বাহাল কৰাৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছে ৰাজভৱনলৈ মিছিল উলিওৱাৰ সময়তে আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল দেহত লাগি কংগ্ৰেছ নেতা মৃদুল ইছলাম নিহত হোৱাৰ অভিযোগৰ মাজতে তেনে অভিযোগ নস্যাৎ কৰিছে অসম আৰক্ষীয়ে। আজি সংবাদমেলযোগে সহঃআৰক্ষী আয়ুক্ত অমিতাভ বসুমতাৰীয়ে আৰক্ষীৰ কন্দুৱা গেছৰ আঘাতত ইছলামৰ মৃত্যু হোৱাৰ কথা অস্বীকাৰ কৰে। কংগ্ৰেছ নেতা মৃদুল ইছলামৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সন্দৰ্ভত তথ্য প্ৰকাশ কৰি অমিতাভ বসুমতাৰীয়ে কয় যে কন্দুৱা গেছৰ বাবে কংগ্ৰেছ কৰ্মীগৰাকীৰ মৃত্যু হোৱা নাছিল। অসুস্থতাৰ বাবেহে মৃদুল ইছলামৰ মৃত্যু হৈছিল। মৰণোত্তৰ প্ৰতিবেদনত মৃদুল ইছলামৰ দেহত সুৰাৰ উপস্থিতিৰ লগতে ধমনীৰ ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা বুলি উল্লেখ কৰিছে। কন্দুৱা গেছ প্ৰয়োগৰ সময়ত মৃদুল ইছলাম সেই স্থানত নাছিল বুলিও দাবী কৰে অমিতাভ বসুমতাৰীয়ে। ইফালে, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন নস্যাৎ কৰিছে নেতাগৰাকীৰ পত্নীয়ে। মৃদুল ইছলামৰ কোনো অসুস্থতা নাছিল আৰু সুৰা সেৱন কৰা নাছিল বুলি উল্লেখ কৰিছে পত্নীয়ে। ১৮ ডিচেম্বৰত অসম কংগ্ৰেছৰ ৰাজভৱন চলো কাৰ্যসূচীত ৰাজভৱনৰ সন্মুখত আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰাৰ পাছতেই মৃদুলৰ মৃত্যু হোৱাৰ অভিযোগ আনিছিল কংগ্ৰেছে। ইয়াৰ পাছতে ৰাজ্যজুৰি কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰি উচিত তদন্তৰ দাবী কৰিছিল। ১৮ ডিচেম্বৰত প্ৰদেশ কংগ্ৰেছে গুৱাহাটীৰ ৰাজভৱনলৈ উলিওৱা এক যাত্ৰাৰ সময়ত আৰক্ষীয়ে বৰ্বৰভাৱে কন্দুৱা গেছে ব্যৱহাৰ কৰাত অধিবক্তা মৃদুল ইছলামে প্ৰাণ হেৰুৱাইছিল বুলি চৰ্চা হৈছিল। অধিবক্তা মৃদুলে মিছিলৰ সৈতে গৈ থকাৰ সময়ত নিচেই ওচৰৰ পৰা কন্দুৱা গেছ ব্যৱহাৰ কৰাৰ সময়ত কন্দুৱা গেছৰ শক্তিশালী শ্বেল শৰীৰত লাগি ঢলি পৰিছিল বুলি কোৱা হৈছিল। অধিবক্তাজনক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। অধিবক্তা মৃদুল ইছলামৰ মৃত্যুৰ পিছতে কংগ্ৰেছে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উৰাজাহাজত ভগা ছীটত বহি ক্ষুব্ধ

মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহান! বিমান যাত্ৰাৰ সময়ত লাভ কৰা অপ্ৰীতিকৰ অভিজ্ঞতাৰ পিছত এয়াৰ ইণ্ডিয়াৰ বিৰুদ্ধে চৰম ক্ষোভ উজাৰে চৌহানে। বিমান সংস্থাটোৰে যাত্ৰীক প্ৰতাৰণা কৰাৰো অভিযোগ উত্থাপন কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। শিৱৰাজ সিং চৌহানে এক্স হেণ্ডেলত নিজৰ অভিজ্ঞতা ব্যক্ত কৰি কয় যে তেওঁক ভোপালৰ পৰা দিল্লী অভিমুখী এয়াৰ ইণ্ডিয়াৰ বিমান এআই৪৩৬ত চিট ৮চি আবণ্টন দিয়া হৈছিল। কিন্তু বিমানত উঠি তেওঁ দেখে যে চিটটো ভিতৰলৈ সোমোৱা আৰু ভগা, যাৰ বাবে তাত বহি থকাটো কাৰ্যতঃ অসম্ভৱ। বিমান পৰিচাৰিকাসকলৰ বিষয়ে সোধাত তেওঁলোকে কয় যে কোম্পানীটোক এই সমস্যাৰ বিষয়ে অৱগত কৰা হৈছে আৰু একাধিক আসনত এনে সমস্যা হৈছে। অৱশ্যে সেই সময়ত সতীৰ্থ যাত্ৰীসকলে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আসন সলনি কৰাৰ প্ৰস্তাৱ দিয়ে যদিও তেওঁ অইন যাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সেয়া অস্বীকাৰ কৰে বুলিও মন্তব্য কৰে শিৱৰাজ সিং চৌহানে। এই বিমান যাত্ৰাৰ পিছতে এয়াৰ ইণ্ডিয়াৰ সেৱাক লৈ ক্ষোভ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, "মই ভাবিছিলো যে টাটাৰ অধিগ্ৰহণৰ পিছত এয়াৰ ইণ্ডিয়াৰ সেৱা উন্নত হৈছে। কিন্তু মোৰ ধাৰণা ভুল আছিল। যাত্ৰীক সম্পূৰ্ণ ভাড়াত ভঙা আসনত বহিবলৈ দিয়াটো অন্যায়।" মন কৰিবলগীয়া যে ২০২২ চনৰ ২৭ জানুৱাৰীত টাটা গ্ৰুপে এয়াৰ ইণ্ডিয়াক ক্ৰয় কৰিছিল যদিও কোম্পানীটোৰ সেৱাৰ অভিযোগ একেই আছে। মন্ত্ৰীগৰাকীৰ এই বিস্ফোৰণৰ পিছত এয়াৰ ইণ্ডিয়াই দুখ প্ৰকাশ কৰি কয় যে এই ঘটনাৰ তদন্ত কৰা হ’ব আৰু বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সফলতাৰ পিছৰ কাহিনী

সন্ধিয়াৰ আলাপ চলিছিল। দেশ-দুনীয়াৰ নানান কথাৰ মাজতে এজনে ক'লে, 'মোৰ ল'ৰাটোক লৈহে চিন্তা। ডিগ্ৰী সাং কৰা দুবছৰৰ বেছিয়েই হ'ল, কিন্তু একো এটা কৰিব পৰা নাই। কি কৰিব বিচাৰে বুলি সুধিলে নিতৌ নতুন নতুন উত্তৰ তাৰ। কেতিয়াবা যদি বেপাৰ কৰিব বুলি কয়, কেতিয়াবা আকৌ চৰকাৰী চাকৰিৰ বাবে প্ৰস্তুতি চলাব বুলি কয়। সিদিনা আকৌ ক'লে বোলে লগৰ দুটামানৰ সৈতে হেনো কাম কৰিবলৈ কেৰালা নে কৰ্ণাটক যায়! মুঠতে সি কৰিব বিচাৰে, নিজেই সেয়া ঠিৰাং কৰিব পৰা নাই।'

কথাৰ বাটঘৰ সামৰি-সুতৰি ঘৰলৈ উভতি অহাৰ পিছত নিশাটোৰ বহু সময় বন্ধুজনৰ চিন্তাখিনিকেই পাগুলিয়াই থাকিলো। বাৰে বাৰে মনলৈ এটাই প্ৰশ্ন আহিল- জীৱনৰ বাটত আগবাঢ়িবলৈ লক্ষ্য কিমান জৰুৰী? 'লক্ষ্যবিহীন জীৱন বঠাবিহীন নাওৰ দৰে'- এই উক্তি অনেকবাৰ পঢ়িবলৈ পাইছো। কিন্তু কাহানিও ইয়াৰ গভীৰতালৈ জুমি চোৱাই নাছিলো। সিদিনা বন্ধুজনে নিজৰ একমাত্ৰ ল'ৰাটোক লৈ ব্যক্ত কৰা উদ্বেগখিনিৰ পিছত অনুভৱ হ'বলৈ আৰম্ভ কৰিছিল যে লক্ষ্যৰ মহত্ব প্ৰকৃততে কিমান বেছি।

মহাকবি কালিদাসে কৈ গৈছে, "উদ্যমেন হি সিদ্ধ্যন্তি কাৰ্যানি ন মনোৰথেঃ", অৰ্থাৎ উদ্যমেহে সিদ্ধি দিয়ে, মনৰ ইচ্ছাই নহয়। লক্ষ্য এক উদ্যম। যেতিয়া লক্ষ্যই স্থিৰ নহ'ব, তেতিয়া কিবা এটা কৰি দেখুৱাবলৈ উদ্যম ক'ৰ পৰা জাগিব? বিশেষকৈ ছাত্ৰ জীৱনত সফলতাৰ বাবে লক্ষ্যৰ প্ৰদীপ জ্বলোৱাটো অত্যন্ত অপৰিহাৰ্য। লক্ষ্যই আমাক অন্ধকাৰৰ পৰা পোহৰলৈ, বিভ্ৰান্তিৰ পৰা স্পষ্টতালৈ লৈ যায়।
কিন্তু এটা লক্ষ্য ঠিৰাং কৰিলেই জানো সকলো সঠিক হৈ পৰে? তাহানি পাঠশালাত পঢ়ি থাকতে আমাৰ স্কুললৈ অহা এগৰাকী শিক্ষা বিষয়াই আমাক সুধিছিল- তোমালোকে ডাঙৰ হ'লে কি হ'বা? উত্তৰবোৰ ভিন্ন আছিল। কোনোৱে ডাক্তৰ হব খুজিছিল, কোনোৱে ইঞ্জিনিয়াৰ। কোনেৱে হাকিম-উকীল হোৱাৰ সপোনৰ কথাও কৈছিল। ময়ো কিবা এটা কৈছিলো তেতিয়া (অৱশ্যে কি কৈছিলো এতিয়া পাহৰিলোঁ)।
এনে নহয় যে তাহানি সপোনৰ কথা চিঞৰি কোৱা সকলোৱে সেই লক্ষ্যত উপনীত হ'ব পৰা নাই। কিন্তু হাকিম-উকীল বা ডাক্তৰ হব বিচৰা মোৰ বহু কেইগৰাকী বাল্যকালৰ বন্ধুৱেই হয় আজি কোনোৱে লক্ষ্যৰ পৰা সম্পূৰ্ণ বিপৰীত চাকৰি কৰি আছে, অথবা নিজা ব্যৱসায়, ঠিকা-ঠুকলিত ব্যস্ত হৈ পৰিছে। ময়তো আজি শৈশৱত হ'ব খোজা মানুহজন হ'ব পৰা নাই।

এয়া বাৰু অবুজন মনে ঠিৰ কৰা লক্ষ্য আছিল! কিন্তু দেখিছো, জানি বুজি ঠিৰাং কৰা লক্ষ্যও বহুতৰে বাবে কেৱল সপোন হৈয়ে ৰৈ যায়। কাৰণ এটাই, নিজৰ বাবে বাছি লোৱা লক্ষ্যত উপনীত হোৱাৰ প্ৰতি অধ্যাৱসায়ৰ অভাৱ। কেৱল এটা লক্ষ্য নিৰ্ধাৰণ কৰিলেই যথেষ্ট নহয়, সেই লক্ষ্যত উপনীত হ'বলৈ কৰিব লাগিব যথাযথ পৰিশ্ৰম আৰু অধ্যাৱসায়। গাঁৱৰ এজন কৃষকে যেনেকৈ বতৰৰ পৰিৱৰ্তনলৈ ভয় নাখাই মাটি চহ কৰাৰ পৰা শস্য চপোৱালৈকে পৰিকল্পনা কৰে, ঠিক তেনেকৈ ছাত্ৰজীৱনতো প্ৰতিটো পদক্ষেপ লক্ষ্যৰ সৈতে জড়িত হ'ব লাগে। উদাহৰণ স্বৰূপে, এগৰাকী ছাত্ৰই যদি আইএএছ হোৱাৰ সপোন দেখে, তেন্তে প্ৰতিদিনৰ অধ্যয়নৰ সময়ছোৱা তেওঁৰ বাবে এটা সৰু সৰু বীজৰ দৰে, যি কালক্ৰমত ডাঙৰ বটবৃক্ষত পৰিণত হয়।

লক্ষ্য আৰু সাফল্যৰ বাটত অন্যতম হেঙাৰ হৈছে নিৰাশা। কোনে জানো কৈছিল- নিৰাশাৰ বাবেই সম্ভাব্য সাফল্যৰ পৰা বিচ্যুত হয় অধিকাংশ লোক। যিটো কাম এশ বাৰ প্ৰচেষ্টা কৰিলে সম্ভৱ হৈ উঠিলহেঁতেন, সেই কামটো ৯৯ বাৰ কৰিয়েই হতাশ হৈ পৰাজয় স্বীকাৰ কৰি লয় অনেকে। কবি নীলমণি ফুকনে তেওঁৰ কবিতাৰ মাজেৰেই কৈ গৈছে- "নিৰাশাৰ ডাৱৰে ঢাকিলেও সূৰ্য্যোদয় অনিৰ্বায।" কেৱল সেই নিৰাশাৰ ডাৱৰ খেদিবলৈ লাগিব এটা দৃঢ় মন, কঠোৰ পৰিশ্ৰম আৰু লক্ষ্য প্ৰাপ্তিৰ বাবে প্ৰবল ইচ্ছাশক্তি।

এগৰাকী শিক্ষাৰ্থীৰ বাবে তেওঁ অৱতীৰ্ণ হোৱা প্ৰতিটো পৰীক্ষা বা প্ৰত্যাহ্বান একো একোটা অগ্নিপৰীক্ষা। ক'ৰবাত যদি তেওঁ উজুটি খাই পৰে, তেন্তে তেওঁৰ ওচৰত দুটাই বিকল্প থাকিব- বিমুখ হৈ পৰি ৰোৱা অথবা পুনৰ থিয় হৈ সন্মুখলৈ আগবঢ়া। লক্ষ্যৰ প্ৰতি থকা দৃঢ়তাই তেওঁক দ্বিতীয়টো পথ বাছি ল'বলৈ শক্তি দিয়ে। এয়াই হৈছে ইচ্ছাশক্তিৰ জয়গান।

আমাৰ আইতাই প্ৰায়ে কৈছিল- 'সোণৰ জোলোঙা হাতত পাইও যদি ব্যৱহাৰ নাজানা, তেন্তে সেয়া কেৱল বোজা।' প্ৰযুক্তিৰ যুগত গুগল, ইউটিউব আদিবোৰো আচলতে একো একোখন সোণৰ জোলোঙাই। আপুনি, মই এনেবোৰ প্ৰযুক্তিক কিদৰে ব্যৱহাৰ কৰিম, তাৰ ওপৰতে নিৰ্ভৰ কৰে এয়া আমাৰ বাবে বোজা নে সম্পদ। এজন ছাত্ৰই যদি ইউটিউবত গণিতৰ টিউটোৰিয়েল চাই দুঘণ্টা কটায়, সেয়া হৈছে জ্ঞানৰ সন্ধান। কিন্তু একেটা প্লেটফৰ্মত চিনেমাৰ ট্ৰেইলাৰ চোৱাটো হ'ল সময়ৰ অপচয়। গতিকে, লক্ষ্যৰ দ্বাৰা পৰিচালিত হ'লেহে টেকন'লজী সহায়ক হৈ উঠে।

লক্ষ্যৰ বাবে আটাইতকৈ প্ৰয়োজনীয় আধাৰ হৈছে জ্ঞান। লক্ষ্য লাগিলে যিয়েই নহওক, সেয়া পাবলৈ জ্ঞান লাগিবই। আৰু জ্ঞান আহে অধ্যয়নৰ পৰা। এজন শিক্ষাৰ্থীয়ে যদি চিকিৎসক হোৱাৰ লক্ষ্য বাছনি কৰে, তেন্তে তেওঁ সেই অনুসৰি অধ্যয়ন কৰিব লাগিব, নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। মন-মগজুক সুস্থিৰ কৰি ৰখা সুস্থ আৰু পৰিষ্কাৰ পৰিৱেশত অধ্যয়ন কৰিলে তেনে অধ্যয়নে সাৰ্থকতা আনে। একাগ্ৰতা আৰু অধ্যাৱসায়ৰে নিজকে প্ৰস্তুত কৰি লৈ জীৱনৰ বাটত অতি সন্তৰ্পণে আগবাঢ়িলে এদিন লক্ষ্য প্ৰাপ্তি আৱশ্যম্ভাৱী হৈ উঠে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজহুৱা অনুষ্ঠানত মাছ-মাংস দিয়া

খাদ্যৰে আত্মীয়-স্বজনক আপ্যায়ন কৰাৰ অভিযোগত এটা পৰিয়ালক এঘৰীয়া কৰিছে শংকৰদেৱ সংঘই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাটৰ ৰংদৈ যোগনীয়া নৱ প্ৰাথমিক শাখাই কঠোৰ সিদ্ধান্ত লৈছে। সংঘৰ নিয়ম উলংঘা কৰি আমিষ খাদ্যৰে আত্মীয়-স্বজনক আপ্যায়ন কৰাৰ অভিযোগত গৌতম বৰুৱা নামৰ এজন ব্যক্তিৰ পৰিয়ালক সংঘৰ পৰা এবছৰলৈ বহিষ্কাৰ কৰিছে। লগতে পৰিয়ালটোৰ ঘৰত ধৰ্মীয় অনুষ্ঠান পাতত বাধাৰোপণ কৰা হৈছে। গত মাহত গৌতম বৰুৱাৰ নাতিনীৰ পুষ্পিতা অনুষ্ঠান ৰংদৈৰ গাঁৱৰ ঘৰত সংঘৰ নিয়ম মতে সম্পন্ন কৰা হয়। পিছদিনা যোৰহাট নগৰৰ নিজা ঘৰত বন্ধু-আত্মীয়ৰ মাজত আমিষ খাদ্যৰে অভ্যৰ্থনাৰ ব্যৱস্থা কৰে বৰুৱাৰ পৰিয়ালে। এই কথাকে সংঘৰ স্থানীয় শাখাই নিয়ম ভংগ বুলি গণ্য কৰি পৰিয়ালটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লয়। ৰংদৈ যোগনীয়া নৱ প্ৰাথমিক শাখাৰ কৰ্তৃপক্ষৰ মতে, শংকৰী পৰম্পৰা মতে কোনো ধৰ্মীয় অনুষ্ঠানৰ আগতে বা পিছত আমিষ খাদ্য সেৱন নিষিদ্ধ। গৌতম বৰুৱাৰ পৰিয়ালে ইয়াৰ প্ৰত্যক্ষ উলংঘা কৰাৰ বাবে সংঘৰ সাংগঠনিক নীতি অনুসৰি শাস্তি প্ৰদান কৰা হৈছে। বৰুৱাৰ পৰিয়ালে দাবী কৰিছে যে পুষ্পিতা অনুষ্ঠান সংঘৰ নিয়ম মতে সম্পন্ন কৰাৰ পিছত বন্ধু-স্বজনৰ সৈতে নগৰৰ ঘৰত কৰা সৰল আয়োজনটো ব্যক্তিগত আছিল। য'ত সংঘৰ কোনো কৰ্মী উপস্থিত নাছিল। তদুপৰি, অনুষ্ঠানত বৰুৱাৰ মাতৃ আৰু জ্যেষ্ঠ ভাতৃই অংশগ্ৰহণ নকৰাকৈয়ে সংঘই শাস্তিৰ দিয়াৰ কাৰণ কি প্ৰশ্ন কৰিছে। পৰিয়ালটোৱে সংঘৰ উচ্চস্তৰীয় কৰ্তৃপক্ষলৈ পত্ৰ যোগেৰে আবেদন কৰি কোনো সঁহাৰি নাপালে। ফলত আইনী ব্যৱস্থা গ্ৰহণৰ কথাও ভবা বুলি কয়। এই সিদ্ধান্তৰ ফলত বৰুৱাৰ ৭৫ বছৰীয়া ধৰ্মপ্ৰাণ মাতৃ মানসিকভাৱে ভাঙি পৰিছে। তেখেতৰ চিকিৎসাৰীয়ে শাৰীৰিক অৱস্থা অধিক বেয়াৰ ফালে ঢাল খোৱা বুলি পৰিয়ালৰ ফালে জনোৱা হৈছে। সংঘৰ এনে কঠোৰতাৰ বিৰুদ্ধে স্থানীয় সমাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অনেকৰ মতে ব্যক্তিগত জীৱনত খাদ্যাভ্যাসৰ ওপৰত সংঘই হস্তক্ষেপ কৰাটো যুক্তিসংগত নহয়। আনহাতে, সংঘৰ সমৰ্থকসকলে নিয়মৰ স্পষ্টতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ঘটনাটোৰ ওপৰত সংঘৰ কেন্দ্ৰীয় নেতৃত্বই এতিয়ালিকে কোনো মন্তব্য প্ৰকাশ কৰা নাই। এই ঘটনাৰ পিছতে সংঘৰ অভ্যন্তৰীণ নীতি আৰু ব্যক্তি স্বাধীনতাৰ সীমাৰেখা সম্পৰ্কে পুনৰ চৰ্চা চলা দেখা গৈছে।

# শুৱালকুছিৰ মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত নাই পৰ্যাপ্ত ঔষধ

**ই-সংবাদ, শুৱালকুছি, ২২ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ চৰকাৰী স্বাস্থ্য কেন্দ্ৰৰ অন্যতম স্বাস্থ্য সেৱা কেন্দ্ৰ হৈছে বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়। শুৱালকুছিৰ এই স্বাস্থ্য কেন্দ্ৰলৈ দৈনিক শ শ ৰোগী বৃহত্তৰ শুৱালকুছিৰ বিভিন্ন অঞ্চলৰ উপৰি হাজোৰ সোৱানচাহ, ক্ষেত্ৰীহাৰদিয়া, ৰামদিয়া, কুলহাটী আদি বিভিন্ন প্ৰান্তৰ পৰা চিকিৎসাৰ বাবে আহে। কিন্তু চিকিৎসালয়খনত চিকিৎসাৰ বাবে আহিলেও দুই/এবিধ চৰকাৰী ঔষধালয়ত চিকিৎসকে লিখা ঔষধহে মজুত থাকে বাকী সৰহসংখ্যকেই চিকিৎসালয়ৰ বাহিৰৰ ফাৰ্মাচীৰ পৰা উচ্চ দামত কিনিব লাগে বুলি অভিযোগ উত্থাপন কৰিছে চিকিৎসালয়লৈ চিকিৎসাৰ বাবে অহা একাংশ ৰোগীয়ে। 'চৰকাৰী চিকিৎসালয়ত উপলব্ধ ঔষধহে চিকিৎসকে দিব লাগিব'। কিছুদিন আগতে অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংঘালে এই মন্তব্য কৰিছিল। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কৰা এই ঘোষণা অসমৰ চৰকাৰী চিকিৎসালয়সমূহত কিমান কাৰ্যকৰী হৈছে? চৰকাৰী চিকিৎসালয়ত চিকিৎসকে লিখা কিমান বিধ ঔষধ চৰকাৰী ঔষধালয়ৰ পৰা যোগন ধৰিছে ৰোগীক? এই সন্দৰ্ভত স্থানীয় কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ এটি দলে মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিৰ অন্তৰ্গত শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত চিকিৎসাৰ বাবে অহা ৰোগীৰ সৈতে হোৱা মত-বিনিময়ত পোহৰলৈ আহিছিল স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰাৰ বিপৰীত ছবি। শুৱালকুছি চিকিৎসালযত মজুত নাই চৰকাৰে যোগান ধৰা পৰ্যাপ্ত ঔষধ, যাৰ ফলত চিকিৎসকে লিখা ৪/৫ বিধ ঔষধৰ বিপৰীতে এবিধ বা দুবিধহে ঔষধ মজুত থাকে। বাকীসমূহ ঔষধ ক্ৰয় কৰিব লাগে চিকিৎসালয়ৰ বাহিৰৰ ফাৰ্মাচীৰ পৰা। উল্লেখ্য যে চিকিৎসালয়খনত মাজে সময়ে ঔষধ মজুত নথকা বুলিও অভিযোগ উত্থাপন হৈ আহিছে। এনে অভিযোগক উৰ্ধতম কৰ্তৃপক্ষই কিধৰণে গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# নাৰ্ছৰ সৈতে অপকৰ্ম! মাৰ্ঘেৰিটাত চিকিৎসক চেলিক্স আলমক প্ৰহাৰ, মুছলমান সমাজৰ পৰা বহিস্কাৰ

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২২ ফেব্ৰুৱাৰীঃ** আজি মাৰ্ঘেৰিটা এফ আৰ ইউ/চিভিল হাস্পতালৰ স্ত্ৰীৰোগ বিশেষজ্ঞ এগৰাকী চিকিৎসকক একাংশ উত্তেজিত লোকে আক্ৰমণ কৰে। মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত নিযুক্ত ডাঃ চেলিক্স আলম নামৰ স্ত্ৰীৰোগ বিশেষজ্ঞক আজি মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ৰ সন্মুখত এগৰাকী নাৰ্ছৰ সৈতে অবৈধ কৰ্মত লিপ্ত হোৱাৰ অভিযোগত একাংশ উত্তেজিত লোকে গুৰুলা-গুৰুলকে প্ৰহাৰ কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে ডাঃ চেলিক্স আলমে জাগুনত বাস কৰা মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ৰ এগৰাকী নাৰ্ছক নিচাযুক্ত দ্ৰব্য খুৱাই অচেতন কৰি অপকৰ্মৰ কৰাৰ লগতে ভিডিঅ' কৰি দীৰ্ঘদিনে ব্লেকমেইলিঙেৰে শাৰীৰিক সম্পৰ্ক কৰিবলৈ বাধ্য কৰাই আহিছিল। এই সন্দৰ্ভত পৰিয়াল তথা স্থানীয় ৰাইজে গম পাই আজি মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ৰ সন্মুখত উপস্থিত হৈ অভিযুক্ত চিকিৎসকগৰাকীক গুৰুলা-গুৰুলকে মাৰধৰ কৰে। ঘটনাস্থলীত মাৰ্ঘেৰিটা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বাতৰি প্ৰস্তুত কৰা সময়লৈকে দুয়োটা পক্ষই পৃথকে পৃথকে এজাহাৰ দিয়াৰ প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে। অন্যহাতে, অভিযুক্ত চিকিৎসকগৰাকীক কঠোৰ শাস্তি দিবৰ বাবে দাবী উত্থাপন কৰিছে গোৰ্খা ছাত্ৰ সন্থাই। চিকিৎসক ডাঃ চেলিক্স আলমৰ চিকিৎসক পদ খাৰিজৰ দাবী জনাইছে চেন্টেল মাৰ্ঘেৰিটা মুছলিম কমিটীয়ে। মাৰ্ঘেৰিটা মুছলিম সমাজৰ পৰা বহিস্কাৰ কৰে অভিযুক্ত চিকিৎসক ডাঃ চেলিক্স আলমক। চিকিৎসক ডাঃ চেলিক্স আলমৰ বিৰুদ্ধে লাভ জেহাদৰ অভিযোগ উত্থাপিত হোৱা পিছতে এই দাবী জনায় চেন্টেল মাৰ্ঘেৰিটা মুছলিম কমিটীয়ে। মাৰ্ঘেৰিটা সমজিলা আয়ুক্তক আজি চেন্টেল মাৰ্ঘেৰিটা মুছলিম কমিটীয়ে এই ঘটনাৰ উচিত তদন্ত দাবী জনোৱা লগতে চিকিৎসক ডাঃ চেলিক্স আলমৰ চিকিৎসক পদ খাৰিজ কৰিবলৈও দাবী জনাইছে। উল্লেখ্যে যে বিতৰ্কিত চিকিৎসক ডাঃ চেলিক্স আলমৰ বিৰুদ্ধে বিগত সময়তো বিভিন্ন অভিযোগ উত্থাপিত হৈ আহিছিল। এই ঘটনাটোক লৈ এতিয়া মাৰ্ঘেৰিটাৰ লগতে সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়া দেখা গৈছে।

# নামতিত বোজা কঢ়িওৱা বাহনক লৈ চিন্তিত গাঁওবাসী

**ই-সংবাদ, আমগুৰি, ২২ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ নামতি আলি ষ্টেচনৰ পৰা অত্যধিক ভাৰ কঢ়িওৱা বাহনে এতিয়া ভাবুকি কঢ়িয়াইছে গ্ৰামাঞ্চলৰ পথলৈ। অভিযোগ অনুসৰি, একাংশ ঠিকাদাৰে নিজ মইমতালিৰে নতুনকৈ নিৰ্মাণ কৰা ঐতিহাসিক নামতি আলিৰে নামতি ষ্টেচনৰ পৰা নিৰ্মাণকাৰ্য চলি থকা ধোদৰ আলিলৈ অত্যাধিক গধুৰ ৰে'লৰ শ্লীপাৰৰ বোজা কঢ়িয়াই নিছে। যাৰ ফলত পুনৰ জীৰ্ণ হৈ পৰাৰ ভাবুকি দেখা দিছে বিশেষকৈ নতুনকৈ নিৰ্মাণ কৰা নামতি আলিটোত। উল্লেখ্য যে, স্থানীয় ৰাইজে বাৰাম্বাৰ আবেদন জনোৱাৰ পাছত শেহতীয়াকৈ চৰকাৰে পুনৰ নিৰ্মাণ কৰিছিল দীৰ্ঘদিনে জৰাজীৰ্ণ হৈ থকা পথটোৰ। কিন্তু এতিয়া একাংশ ঠিকাদাৰৰ মইমতালিত পুনৰ পথটো ভাগি নষ্ট হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। এনে পৰিপ্ৰেক্ষিততে নামতি আঞ্চলিক উন্নয়ন সমিতিয়ে উক্ত বিষয়টোৰ সন্দৰ্ভত ২১ ফেব্ৰুৱাৰীত নাজিৰা সমজিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। জানিব পৰা মতে, ঠিকাদাৰে নিজ ইচ্ছামতে ২২ চকীয়া ট্ৰেইলাৰে ৪০ টনৰো অধিক ৰেলৰ চিৰি কঢ়িয়াই নিয়ে এই পথটোৰে। ইফালে, নামতি আঞ্চলিক উন্নয়ন সমিতিয়ে স্মাৰক পত্ৰ প্ৰদানৰ পাছতেই নিশা নামতি ৰেল ষ্টেচনত দণ্ডাধীশ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে যদিও উপস্থিত ৰাইজে নিজৰ দাবীত অটল থাকে। পুনৰ আজি ঠিকাদাৰী পক্ষই অত্যাধিক গধুৰ ৰেলৰ শ্লীপাৰৰ ভাৰ কঢ়িওৱা বাহনসমূহ লৈ যোৱাৰ প্ৰয়াস কৰে যদিও বাতৰি প্ৰেৰণ কৰা সময়লৈকে স্থানীয় ৰাইজৰ বিৰোধীতাৰ ফলত লৈ যাবলৈ সক্ষম হোৱা নাই। সবিশেষ পৰৱৰ্তী সময়তহে জানিব পৰা যাব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ৰাজাপাৰা কলাগুৰু বিষ্ণু ৰাভা যুৱ সংঘৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন

**ই-সংবাদ, মিৰ্জা, ২২ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাৰ ঐতিহাসিক চানডুবি বিলৰ পাৰৰ ৰাজাপাৰাৰ কলাগুৰু বিষ্ণু ৰাভা যুৱ সংঘৰ সোণালী জয়ন্তী বৰ্ষ আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী অনুসৰি আজিৰ প্ৰথম দিনটোৰ কাৰ্যসূচী পুৱা বন্তি প্ৰজ্বলেনেৰে মুকলি কৰা হয়। ইয়াৰ পিছত ৫০গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা পঞ্চাশখন পতাকা উত্তোলন কৰা হয়। স্মৃতি তৰ্পণ কৰে সংঘটোৰ গুৰিধৰোতা ইন্দ্ৰমোহন ৰাভাই। গছপুলি ৰোপণ কৰে লোহাৰঘাটৰ বনাঞ্চলিক বিষয়া নয়নজ্যোতি দাসে। আদৰণি তোৰণ মুকলি কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন পাৰিষদ নৃপেন চন্দ্ৰ ৰাভাই। অতিথিশালা মুকলি কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্যা ৰশ্মিবালা ৰাভাই। প্ৰাচীৰ প্ৰত্ৰিকা উন্মোচন কৰে কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অশোক নংবাগে। দুপৰীয়া মঞ্চ মুকলি কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন উপাধ্যক্ষ ৰমাকান্ত ৰাভাই। আবেলিৰ মুকলি সভাখন সঞ্চালনা কৰে লোকসংস্কৃতিৰ গৱেষক ভুবিন ৰাভাই। এই মঞ্চতে সোণালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ 'স্বৰ্ণিল ক্ষণ' উন্মোচন কৰা হয়। আজিৰ সভাত বিশিষ্ট অতিথিৰূপে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, অসম জাতীয় পৰিষদৰ যুটীয়া সম্পাদক পংকজ লোচন গোস্বামী লগতে সৌভাগ্য ক্ৰমে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন সাধাৰণ পাৰিষদ উদ্ধৱ ৰাভা, খিলঞ্জীয়া অধিকাৰ সংগ্ৰাম সমিতিৰ সভাপতি ৰমেশ মালী উপস্থিত থাকে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি টংকেশ্বৰ ৰাভাই কয় যে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা লগতে বৰাক উপত্যকাৰ কাছাৰ, কৰিমগঞ্জলৈকে যদি চাওঁ তেনেহ'লে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ নামত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম দেখিবলৈ পাম। দক্ষিণ কামৰূপৰ চানডুবি পাৰৰ কলাগুৰু বিষ্ণু ৰাভা যুৱ সংঘৰ আজি সোণালী জয়ন্তী বৰ্ষ। যুৱশক্তিৰ উদ্যোগত গাঁওবাসীয়ে অতি উলহ-মালহেৰে সোণালী জয়ন্তী বৰ্ষৰ আয়োজন কৰিছে। এটা যুৱ সংঘৰ আস্থা আৰু নিষ্ঠাৰে পঞ্চাশটা বৰ্ষ অতিক্ৰম কৰিবপৰাটো এক নিৰৱ সাধনাৰ দৰে। তেওঁ কয় যে আজিৰ পৰা ত্ৰিশ বছৰ আগৰ যোগাযোগ ব্যৱস্থা আৰু আজি ২২ ফেব্ৰুৱাৰীৰ যোগাযোগ ব্যৱস্থা আকাশ-পাতাল পাৰ্থক্য। য'ত ম'বাইল দুনীয়াৰ বাদে অন্য একো বিচাৰি নাপাওঁ। কিন্তু ম'বাইলে সকলো দিলেও বাস্তৱত গ্ৰন্থ অধ্যয়নেহে আমাক সঠিক বাট দেখুৱাব পাৰে। অন্য এগৰাকী অতিথি পংকজ লোচন গোস্বামীয়ে কয় যে আজি যুৱ সংঘটোৰ সোণালী জয়ন্তী। পঞ্চাশটা বৰ্ষত কি কি কাম কৰা হৈছে সেয়া স্মৃতি ৰোমন্থন কৰিছে। আৰু পছিশটা বৰ্ষৰ পিছত আপোনালোকে হীৰক জয়ন্তী বৰ্ষ পালন কৰিব।

## প্ৰগতিশীল নাৰী সন্থাৰ প্ৰতিক্ৰিয়া, মুখ্যমন্ত্ৰীক সৰ্বত্ৰে ধিক্কাৰ

# প্ৰবক্তা গীতাশ্ৰী তামুলীৰ চাকৰিৰ প্ৰসংগক অযথা বিৰ্তক কৰিছে মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, বেবেজীয়া, ২২ ফেব্ৰুৱাৰীঃ** চলিত অসম বিধানসভাৰ বাজেট অধিবেশনত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিধায়ক অখিল গগৈৰ মাজত চলা তৰ্কযুদ্ধৰ মাজতে মুখ্যমন্ত্ৰীয়ে বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰবক্তা, বিশিষ্ট লেখিকা তথা বিধায়ক অখিল গগৈৰ পত্নী গীতাশ্ৰী তামুলীৰ চাকৰিক লৈ কৰা মন্তব্যই ৰাজ্যজুৰি বেছ চৰ্চা লাভ কৰিছে। এই বিষয়টোক লৈ বিভিন্নজনে নানা ধৰণৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাইও এই বিষয়টোক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। নাৰী সংগঠনটোৰ সম্পাদিকা মৃণালী দেৱীয়ে কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিৰ জৰিয়তে বিধানসভাৰ মজিয়াত বিৰোধী দলৰ বিধায়কৰ ওপৰত বিতৰ্ক কৰিবলৈ গৈ ৰাইজৰ প্ৰতিনিধিজনৰ পত্নীক অযথা সাঙুৰি অনা কাৰ্যক গণতান্ত্ৰিক পৰম্পৰা বিৰোধী বুলি অভিহিত কৰিছে। তেওঁ মুখ্যমন্ত্ৰীগৰাকীৰ এই কাৰ্যৰ দ্বাৰা বিধানসভাৰ মৰ্যাদা হানি কৰিছে বুলি উল্লেখ কৰি লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে আনকি সংসদৰ উপ-দলপতিৰ পত্নীকো বিতৰ্কৰ মাজলৈ টানি অনা ঘটনাবোৰে মুখ্যমন্ত্ৰীৰ পদৰ মৰ্যাদা হানি কৰাৰ নিকৃষ্ট পৰম্পৰা বুলি অভিহিত কৰিছে।




জনপ্ৰিয় ইউটিউবাৰ সময় গগৈক সমাজপ্ৰাণ সমীৰণ বৰদলৈ সমাজহিতৈষী বঁটা প্ৰদান, যোৰহাটত শনিবাৰে

# তামুলপুৰৰ পাটকীজুলিত বিপিএফৰ কৰ্মী সভা

**ই-সংবাদ, তামুলপুৰ, ২২ ফেব্ৰুৱাৰীঃ** বিটিচিৰ দৰংগাজুলি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত পাটকীজুলিত আজি দৰংগাজুলি ব্লক যুৱ বিপিএফ, মহিলা বিপিএফ আৰু বিএছ ইউৰ উদ্যোগত এখন কৰ্মী সভা অনুষ্ঠিত হয়। কৰ্মী সভাত অংশগ্ৰহণ কৰি প্ৰাক্তন বিটিচি প্ৰধান তথা বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বিপিএফে আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত অকলেই নিৰ্বাচন খেলিব আৰু বিপিএফ দলে ২৫ খন আসনত জয় লাভ কৰি অকলেই চৰকাৰ গঠন কৰিব বুলি মন্তব্য কৰে। চৰকাৰ গঠন কৰিলে বিপিএফে প্ৰমোদ বড়োৰ সকলো দুৰ্নীতিৰ তদন্ত কৰিব বুলি জানিবলৈ দিয়ে। ভাষণ প্ৰসংগত তেওঁ কয় যে প্ৰমোদ বড়োই টকা খোৱাৰ বুদ্ধিটো জানে। সেয়ে বিপিএফ চৰকাৰে তিনি কোটি টকাৰে বনোৱা গেষ্ট হাউচ প্ৰমোদ বড়োই ১৩ কোটি টকা খৰচ কৰি মেৰামতিৰ নামত ধন আত্মসাৎ কৰিছে। প্ৰমোদ বড়ো চৰকাৰৰ দিনত সীমাহীন দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি প্ৰাক্তন বিটিচি প্ৰধানগৰাকীৰ দাবী প্ৰমোদ বড়োই ভুৱা আঁচনিৰে ধন আত্মসাৎ কৰাত লাগিছে। এই সকলো দুৰ্নীতিৰে তদন্ত কৰা হ'ব বুলি ঘোষণা কৰি বিপিএফৰ চৰকাৰ আহিলে বিটিচিত কোনো ধৰণৰ কেলেংকাৰিয়েই নাথাকিব বুলি কয়। সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনত কোনখন জিলাৰ পৰা কেইখন আসন পাব তাৰো হিচাপ দাঙি ধৰে প্ৰাক্তন বিটিচি প্ৰধানগৰাকীয়ে। তামুলপুৰ জিলা যুৱ বিপিএফৰ সভাপতি দৈমু বড়োৱে আঁত ধৰা সভাত উপস্থিত থাকি তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মোছাহাৰীয়ে কয় যে উন্নয়ন আৰু পৰিৱৰ্তনৰ কৰিম বুলি ৰাইজক আঁভুৱাভাৱি বিটিচিৰ শাসনলৈ আহি প্ৰমোদ বড়োই একোৱে কৰিব নোৱাৰিলে। কেৱল মিছা কথাৰে নিজৰ কাৰ্যকাল সমাপ্ত কৰিবলৈ ওলাইছে প্ৰমোদ বড়োই। সমাগত বিটিচি নিৰ্বাচত প্ৰমোদ বড়ো পুনৰ ক্ষমতালৈ আহিব নোৱাৰে বুলি মন্তব্য কৰি মোছাহাৰীয়ে বিপিএফৰ কৰ্মীসকলক নিৰ্বাচনলৈ সাজু হ'বলৈ আহ্বান জনায়। আগন্তুক নিৰ্বাচনত হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিপিএফ দলেই চৰকাৰ গঠন কৰিব বুলিও দাবী কৰে প্ৰাক্তন বিধায়ক ইমানুৱেল মোছাহাৰীয়ে। আজিৰ সভাত যোগদান কৰি কেন্দ্ৰীয় যুৱ বিপিএফৰ সভাপতি ৰিপুঞ্জয় বড়ো, কেন্দ্ৰীয় বিপিএফৰ মহিলা নেত্ৰী পূৰ্ণিমা ছেত্ৰীয়েও ভাষণ দিয়ে। বিপিএফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মনেশ্বৰ ব্ৰহ্ম, সুপ্ৰিয়া ৰাণী ব্ৰহ্ম, চন্দ্ৰ কলা ব্ৰহ্মকে ধৰি বহু সংখ্যক বিপিএফ নেতাৰ উপস্থিতিত অনুষ্ঠিত কৰ্মী সভাতেই বিজেপি, ইউপিপিএলকে ধৰি বিভিন্ন দলৰ পৰা অৰ্ধশতাধিক লোকে বিপিএফ দলত যোগদান কৰে।

## 'জ্যোতি তীৰ্থৰ' সংৰক্ষণ কেতিয়া? পোনাকণৰ প্ৰশ্ন



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২০ ফেব্ৰুৱাৰীঃ** বিধানসভাৰ চলিত বাজেট অধিৱেশনৰ তৃতীয় দিনটোত অগপৰ বিধায়ক পোনাকণ বৰুৱাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থানৰ সংৰক্ষণক লৈ প্ৰশ্ন কৰে। প্ৰশ্নোত্তৰ শিতানত চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই 'জ্যোতি তীৰ্থ'ৰ সংৰক্ষণ আৰু সংবৰ্ধন সন্দৰ্ভত প্ৰশ্ন কৰে। চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত তামোলবাৰী চাহ বাগিচাস্থিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান 'জ্যোতি তীৰ্থৰ' সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা, পৰ্যটন আৰু কলা-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিব বুলি বিধায়ক পোনাকণ বৰুৱাই সদন সোধা প্ৰশ্নৰ উত্তৰ দিয়ে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই। জ্যোতি তীৰ্থৰ সংৰক্ষণ, সংবৰ্দ্ধনৰ বাবে বৰ্তমানলৈকে কোনো পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই যদিও আগন্তুক দিনত প্ৰয়োজনীয় পুঁজিৰ অনুমোদন দিয়াৰ কথা ব্যক্ত কৰে বিভাগীয় মন্ত্ৰীজনে। অসম চৰকাৰৰ পৰ্যটন বিভাগ আৰু সাংস্কৃতিক বিভাগৰ যুটীয়া আলাপ-আলোচনাৰ মাজেৰে পৰ্যটন আৰু কলা-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। ডিব্ৰুগড়বাসীয়ে দীৰ্ঘকাল উত্থাপন কৰি অহা দাবী পূৰণ হলে ডিব্ৰুগড়বাসীৰ এক ডাঙৰ সপোন পূৰণ হ'ব বুলি কয় বিধায়ক বৰুৱাই।



অভিলেখলৈ সাজু... অব্যাহত ঝুমুৰ নৃত্যৰ অনুশীলন, সৰুসজাইত শনিবাৰে

## টিহু সমষ্টি অগপৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

# টিহু সমষ্টিৰ প্ৰতিটো পঞ্চায়তত‌ে প্ৰাৰ্থী দিব অগপই

**ই-সংবাদ, বৰমা, ২২ ফেব্ৰুৱাৰীঃ** পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত বৃদ্ধি পাইছে তৎপৰতা। প্ৰতিটো ৰাজনৈতিক দলে বিভিন্ন ঠাইত সভা অনুষ্ঠিত কৰি সাংগঠনিক দিশ শক্তিশালী কৰাৰ লগতে পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ  প্ৰস্তুতি চলাইছে। মিত্ৰজোঁটত থাকিও এজিপি আৰু বিজেপিয়ে পৃথকে পৃথকে সভা অনুষ্ঠিত কৰি পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজাইছে। শনিবাৰে টিহু নগৰ অগপৰ কাৰ্যালয়ত অগপৰ টিহু সমষ্টি সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন হয়। অগপৰ টিহু সমষ্টি সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰদীপ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত কেন্দ্ৰীয় সমিতিৰ সম্পাদক কেশৱ চন্দ্ৰ ডেকা, কাৰ্যনিৰ্বাহক বাণী কলিতা, নলবাৰী জিলা অগপৰ সম্পাদক কনকেশ্বৰ দাস, নলবাৰী জিলা সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি তথা জিলা অগপৰ উপদেষ্টা ডঃ বীৰেন্দ্ৰ কুমাৰ চক্ৰৱৰ্তী, টিহু পৌৰসভাৰ উপ-পৌৰপতি ডঃ সুৰজিৎ বৰ্মন, জ্যেষ্ঠ অগপ নেতা ফণীন্দ্ৰ নাথ দাস, শংকৰ কুমাৰ দাস, সুৰেন্দ্ৰ নাথ কলিতা আদি কেইবাজনেও অংশ লৈ আগন্তুক পঞ্চায়ত নিৰ্বাচন লৈ সকলোকে সাজু হ'বলৈ আহ্বান জনায়। টিহু সমষ্টি সমিতিৰ সম্পাদক অৱনী বৰ্মন আৰু ভৱেশ কলিতাই আঁত ধৰা উক্ত সভাখনত আগন্তুক পঞ্চায়ত নিৰ্বাচনত টিহু সমষ্টিত এজিপি আৰু বিজেপিৰ মিত্ৰতা নহ'লে প্ৰতিখন পঞ্চায়তত‌ে অগপই প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, মিত্ৰতা বাহাল থাকিলে ৫০% প্ৰাৰ্থী দিয়াৰ উপৰি টিহু জিলা পৰিষদৰ আসনখন অগপই বিচাৰিব বুলি জনায়।

# ডিব্ৰুগড়ত ৰাষ্ট্ৰমাতা কস্তুৰবা গান্ধী স্মৃতি দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ২২ ফেব্ৰুৱাৰীঃ** 'মাতৃ হৈছে সমাজৰ আটাইতকৈ ডাঙৰ শক্তি- যিকোনো কাম কৰিবলৈ নাৰীৰ মনত অদম্য সাহস আৰু সামৰ্থ আছে, দুখৰ কথা এয়ে যে আমি দেশৰ অধিকাংশ বিদুষী ৰমণীৰ কথা নেজানো আৰু তেওঁলোকৰ শক্তি বা অৱদানৰ বিষয়ে অৱগত নহয়। এনে এগৰাকী শক্তিশালী মহিলাই আছিল কস্তুৰবা গান্ধী।' -শতিকা প্ৰাচীন ডিব্ৰুগড় জিলা মহিলা সমিতিয়ে আজি ডিব্ৰুগড়ত সমিতিৰ নিজা কাৰ্যালয়ত আয়োজিত জাতিৰ পিতা মহাত্মা গান্ধীৰ সুযোগ্যা পত্নী তথা ৰাষ্ট্ৰমাতা কস্তুৰবা গান্ধীৰ স্মৃতি দিৱসৰ মুকলি সভাত এনেদৰে বক্তব্য আগবঢ়ায় বিগত ছয় দশক জুৰি 'কস্তুৰবা শৰণীয়া আশ্ৰম'ৰ স'তে জড়িত আৰু এই সংগঠনটোৰ গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত প্ৰতিনিধি কুসুম বৰা মোকাশীয়ে। ভাষণ প্ৰসংগত বিদুষী মহিলাগৰাকীয়ে কয় যে কেৱল ৰাষ্ট্ৰমাতা কস্তুৰবা গান্ধীয়েই নহয়, অসমীয়া বহুকেইগৰাকী বিদুষী মহিলাৰ কথা আমি নেজানো। এইটো অত্যন্ত লাজৰ কথা। ভাৰতৰ স্বাধীনতা সংগ্ৰামত কস্তুৰবা গান্ধী দেশৰ প্ৰথমগৰাকী কাৰাবৰণ কৰা মহিলা বুলি উল্লেখ কৰি তেওঁ কয় যে এঘাৰ বছৰ বয়সত বাল্যবিবাহ কৰি আৰু লিখা-পঢ়া নজনাকৈয়ে কিদৰে স্বাধীনতা সংগ্ৰামত অৱতীৰ্ণ হৈয়ো নিজৰ ঘৰ-সংসাৰ ভালদৰে পৰিচালনা কৰিছিল সেয়া শলাগিবলগীয়া। প্ৰয়োজনত আৰু হক কথাত মহাত্মা গান্ধীৰ স'তেও তেওঁৰ সংঘাত হৈছিল। তেওঁৰ জীৱনত গৃহস্থী আৰু দেশসেৱাৰ যি সমন্বয় সেয়া আশ্চৰ্যকৰ আৰু সেই বাবেই তেওঁ 'ৰাষ্ট্ৰমাতা' উপাধি লাভৰ যোগ্য মহিলা। ভাবনা যদি শুদ্ধ হয়, তেন্তে সকলো কামেই কৰিব পৰা শক্তি মানুহৰ মনত জাগৃত হয় আৰু ইয়াৰ বাবে আধ্যাত্মিক ভাবৰ প্ৰয়োজন বুলিও প্ৰসংগক্ৰমে তেওঁ ভাষণত উল্লেখ কৰে। ডিব্ৰুগড় জিলা মহিলা সমিতিৰ সভাপতি দীপালি শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত কস্তুৰবা গান্ধীৰ জীৱন-কৃতি সম্পৰ্কত সাৰুৱা বক্তব্য আগবঢ়ায় সমিতিৰ উপদেষ্টা তথা কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা সুদক্ষিণা দাসে কয় যে স্বাধীনতা সংগ্ৰামত কস্তুৰবা গান্ধীৰ অৱদান অতুলনীয়, বিশেষকৈ মহিলাসকলক অংশগ্ৰহণ কৰোৱাৰ ক্ষেত্ৰত। পুৰুষৰ লগতে মহিলাসকলৰ যি অৱদান বহুক্ষেত্ৰত সেয়া বহুতৰেই অজ্ঞাত বুলিও অধ্যাপিকাগৰাকীয়ে ভাষণত উল্লেখ কৰে। সংগঠনটোৰ সম্পাদক পুষ্পবালা দিহিঙীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত ডিমৌ কলেজৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মামনি গগৈ বৰগোহাঁয়েও আজিৰ সমাজত মাতৃৰ মূল্য স্বীকাৰ কৰিব নজনাৰ বাবেই সমাজখন বিশৃংখলতাৰে ভৰি পৰিছে বুলি উল্লেখ কৰি সমাজত নাৰীৰ যি আসন সেয়া পুৰুষ সমাজে দিব নজনাৰ বাবেও সমাজত বিশৃংখলতা সৃষ্টিৰ অন্যতম কাৰণ বুলি মন্তব্য কৰে। সভাত সমিতিৰ উপদেষ্টা ডঃ শেৱালী বৰবৰা, জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকা আদিয়ে সাম্প্ৰতিক সময়ত নাৰীৰ উত্তৰণৰ ভিন্ন দিশ সামৰি সাৰুৱা বক্তব্য আগবঢ়ায়। সভাত অঞ্জু কাকতিয়ে এটি স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ পিছতে এক প্ৰাৰ্থনা অনুষ্ঠানৰো আয়োজন কৰা হয়।

# পুৰণিগুদামত দেৱকান্ত বৰুৱাৰ ১১১ সংখ্যক জন্মদিৱস




**ই-সংবাদ, পুৰণিগুদাম, ২২ ফেব্ৰুৱাৰীঃ** ৰোমান্টিক আৰু আধুনিক কবিতাৰ যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱা নগাঁওৰ গৌৰৱ। তেওঁৰ একমাত্ৰ কবিতা পুথিখনেই তেওঁক বুজিবলৈ যথেষ্ট। কলংপাৰৰ কবি দেৱকান্ত বৰুৱাৰ ১১১ সংখ্যক ওপজা দিনত কবিতা পাঠৰ সমীক্ষক হিচাপে উপস্থিত থাকি ড° বসন্ত বৰাই আজি এইদৰে কয়। পুৰণিগুদাম কবি সন্মিলনৰ উদ্যোগত পুৰণিগুদামৰ গড়মূৰৰ ভাৰতৰ স্বাধীনতা আন্দোলনৰ মুক্তিযোদ্ধা স্বৰ্গীয় মহেন্দ্ৰ নাথ বৈৰাগীৰ চোতালত, বিশিষ্ট সাহিত্যকৰ্মী অনিল বৈৰাগীৰ আতিথ্যত আজি বিয়লি ১ বজাৰ পৰা কবিৰ সভাত কবিতা পাঠ নামৰ এটি অনুষ্ঠানেৰে বিয়লিটো জীপাল হৈ উঠে। পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কবিতা পাঠ কাৰ্যসূচীত সমীক্ষক হিচাপে উপস্থিত থাকে বিশিষ্ট কবি, আবৃত্তিকাৰ ড° বসন্ত বৰা। বিশিষ্ট গল্পকাৰ শিবানন্দ কাকতিয়ে উদ্বোধনী ভাষণ আগবঢ়োৱা অনুষ্ঠানটিত কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰা, ৰণজিত গায়ন, মুকুতা ৰাজা, দিগন্ত ভাগৱতী, দুবৰি কাশ্যপে চিৰযুগমীয়া কেইবাটিও গীত পৰিৱেশন কৰে। কবি বসন্ত কৌশিক ভাগৱতী, প্ৰাণকৃষ্ণ ডেকা, মণ্টুল শৰ্মা, গুণকান্ত শৰ্মা, নাৰায়ণ কলিতা, শংকৰ মৃদ্ধা, ৰূপেশ নায়ক, বেণু লস্কৰ, দীপিকা বৰা গায়ন, অৱন্তী দাস, বিনু বৈৰাগী, অনিল কুমাৰ শৰ্মা, নিজৰা শইকীয়া, ইমদাদ হুছেইন, মালা বৰুৱা, চাহিৰ মাল্লা, অৰূপ গোস্বামী, জ্যোতিৰ্ময় বৰুৱা, স্বপ্না দেৱী, প্ৰীতি চৌধুৰী, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, কুমাৰ বিভূতি, আশা বৰা মন, গিৰীশ চন্দ্ৰ দাস, অশোক ৰাম ভট্টাচাৰ্য, ৰিণ্টু দাস, শেৱালী বৰুৱা, কিশোৰ দাস, মীনা বৰা, এম আবু হানিফা, মীনু বৰা, অনিল বৈৰাগী, মৃদুপৱন বৰা, প্ৰদীপ শইকীয়া, মুনীন্দ্ৰ শইকীয়া, হেৰম্ব প্ৰসাদ গোস্বামী, মধু চৌধুৰী, বিচিত্ৰ নাৰায়ণ বৰা, অম্বিকা গোঁহাই, অমিয়া গোস্বামী, সুৰজ নায়ক, জেউতি হাজৰিকা, ইবাদত হুছেইন, মাধন ভূঞা, কবিতা দাস, কবিন পাটৰ আদি কবিসকলে কবিৰ মেলত কবিতা পাঠ কৰে। কবিৰ মেলত কবি সন্মিলনৰ উপ-সভাপতি বিপুল কুমাৰ মজিন্দাৰ, সম্পাদক হিৰণ্য কুমাৰ শৰ্মা, সাহিত্য সংগঠক দুলাল বৰা, দ্বীপজ্যোতি বৰা প্ৰমুখ্য কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মৃত্যুবাৰ্ষিকীত ডাঙৰীৰ পঞ্চ শ্বহীদৰ সমাধিস্থলীত বাৰ্ষিক শ্ৰাদ্ধ সম্পন্ন

**ই-সংবাদ, তিনিচুকীয়া, ২২ ফেব্ৰুৱাৰীঃ** ১৯৯৪ চনৰ আজিৰ দিনটোতেই তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ তদানীন্তন উপদেষ্টা প্ৰবীণ সোণোৱালসহ পাঁচ নিৰপৰাধী যুৱকক ভাৰতীয় সেনাই ভুৱা সংঘৰ্ষৰে ডিব্ৰু-ছৈখোৱা বনাঞ্চলত অতি নৃশংসভাৱে হত্যা কৰিছিল। সেই অভিশপ্ত দিনটোতেই ভাৰত ৰাষ্ট্ৰযন্ত্ৰৰ নিৰ্মম অত্যাচাৰত সেইসময়ৰ সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰবীণ সোণোৱাল (২৯), ব্যৱসায়ী অখিল সোণোৱাল (৩৬), প্ৰদীপ দত্ত (৩৩), দেৱজিৎ বিশ্বাস (৩০) আৰু ভবেন মৰাণ (৩৫)ক শোৱাপাটীৰপৰা উঠাই নি ধলা সামৰিক শিবিৰৰপৰা ডাঙৰীৰ লাইনা গাঁৱলৈ নি তাৰপৰা দুখন নাৱেৰে ডিব্ৰু-ছৈখোৱা বনাঞ্চললৈ নি গুলীয়াই হত্যা কৰিছিল। যুৱককেইজনক আলফাৰ সদস্য বুলি প্ৰচাৰ চলাই অতি নৃশংসভাৱে চকু-হাত কাটি হত্যা কৰাৰ খবৰে দেশজুৰি তোলপাৰ লাগিছিল। যুৱককেইজনৰ শেষকৃত্য কৰা হৈছিল ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডাঙৰী দলঙ(ডাঙৰী গাঁও)ৰ কাষৰ এডোখৰ ঠাইত। উক্ত স্থানতে পৰৱৰ্তী সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত নিৰ্মাণ কৰা হৈছিল এক স্মৃতিসৌধস্থলী। এওঁলোকৰ পবিত্ৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যেৰে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতি বছৰৰ ২২ ফেব্ৰুৱাৰী অৰ্থাৎ পঞ্চ শ্বহীদৰ মৃত্যুবাৰ্ষিকীত শ্বহীদ পৰিয়ালৰ লগতে ৰাইজৰ উপস্থিতিত ৰাজহুৱা শ্ৰাদ্ধৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। দেশমাতৃৰ বাবে নিজৰ একো একোটা সম্ভাৱনাময় জীৱন উছৰ্গা কৰা ডাঙৰীৰ পঞ্চ শ্বহীদৰ স্মৃতিসৌধস্থলীত প্ৰতি বছৰৰ দৰে আজিও ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত বাৰ্ষিক শ্ৰাদ্ধভাগ অনুষ্ঠিত হোৱাৰ লগতে নকৈ সজাই-পৰাই তোলা সমাধিক্ষেত্ৰৰো শুভ উদ্বোধন কৰা হয়। এই উপলক্ষে পুৱা আছুৰ পতাকা উত্তোলন কৰে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি সোণোৱাল আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক পলাশজ্যোতি সোণোৱালে। শ্বহীদ তৰ্পণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে উপদেষ্টা জিতুল সোণোৱালে। উক্ত অনুষ্ঠানত শ্বহীদ পৰিয়ালবৰ্গৰ লগতে আছু কৰ্মী আৰু উপস্থিত ৰাইজে অংশগ্ৰহণ কৰে। তাৰপিছতে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰপৰা পঞ্চ শ্বহীদৰ পৰিয়ালবৰ্গক ফুলাম গামোচা, চেলেং চাদৰ আৰু প্ৰশস্তি-পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানতে ন-কৈ সজাই তোলা পঞ্চ শ্বহীদৰ সমাধিক্ষেত্ৰখনৰ লগতে তোৰণৰ শুভ উদ্বোধন কৰা হয় । নৱনিৰ্মিত তোৰণখন উদ্বোধন কৰে পকী তোৰণ আৰু লোহাৰ গে'টৰ দাতা তথা শ্বহীদ প্ৰবীণ সোণোৱালৰ ভগ্নী উষাৰাণী সোণোৱাল ফাটোৱালীয়ে । উল্লেখ্য যে তিনি দশকজোৰা এক অতি দীঘলীয়া সংঘাতময় সময়ৰ অন্তত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ক্ষতিপূৰণৰ নিৰ্দেশ যোৱা বৰ্ষৰ ৩১ জুলাইত কাৰ্যকৰী হোৱাত এখন অতি ঐতিহাসিক যুঁজৰ যৱনিকা পৰিছিল। পঞ্চ শ্বহীদৰ পৰিয়ালৰ লগতে ৰাইজক কিছু আশ্বস্ত কৰিব পৰা এক ঐতিহাসিক যুঁজৰ আংশিক ন্যায় লাভৰ এই যুঁজত মুখ্য ভূমিকা পালন কৰিছিল সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জগদীশ ভূঞাই। যোৱাবৰ্ষৰ ৯ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ে হেবিয়াছ ক'ৰপাছৰ অধীনত পঞ্চ শ্বহীদৰ পৰিয়ালক ২০ লাখকৈ ক্ষতিপূৰণ প্ৰদানৰ বাবে ভাৰত চৰকাৰক নিৰ্দেশ দিছিল। উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ পাছতে পঞ্চ শ্বহীদৰ পৰিয়ালে চৰকাৰৰ পৰা লাভ কৰাৰ ক্ষতিপূৰণৰ পাছত শ্বহীদ পৰিয়ালকেইটাই মিলি সমাধিক্ষেত্ৰখন আটক-ধুনীয়াকৈ সজাই তোলে। স্থানীয় ভকতবৃন্দৰ মাংগলিক কৰ্মৰে শ্ৰাদ্ধৰ অন্তত নাম-প্ৰসংগ হোৱাৰ লগতে গায়ন-বায়ন আৰু দিহানাম পৰিৱেশন কৰা হয়। সন্ধিয়া সমাধিক্ষেত্ৰত বন্তি প্ৰজ্বলনেৰে দিনজোৰা কাৰ্যসূচীৰ সামৰণি পৰে। আজিৰ অনুষ্ঠানত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিখিল কোঁচ, সহকাৰী সাধাৰণ সম্পাদক ঋতুপৰ্ণ চেলেং, কাৰ্যনিৰ্বাহক সদস্য অনুপম গগৈ, প্ৰাক্তন কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দীপংকৰ সোণোৱাল, শ্বহীদ পৰিয়ালবৰ্গ, আছু কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# বাক্সাত সমাজ কল্যাণ বিভাগৰ মহিলা সভা সম্পন্ন

**ই-সংবাদ, মুছলপুৰ, ২২ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ অন্তৰ্গত অদলা ভিচিডিচিত আজি বাক্সা জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু বাক্সা জিলা মহিলা এম্পাৱাৰমেণ্ট হাবৰ কাৰিকৰী সহযোগত এখন মহিলা সভা অনুষ্ঠিত হয়। অদলা ভিচিডিচিৰ অধ্যক্ষই সভাপতিত্ব কৰা আজিৰ সভাত স্থানীয় শাসন,সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মহিলাসকলৰ অংশগ্ৰহণ, মহিলা সকলক তেওঁলোকৰ অধিকাৰ, কল্যাণ, আৰু সম্প্ৰদায়ৰ উন্নয়নৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত আলোচনা আৰু সমাধানৰ বাবে এক মঞ্চ প্ৰদান কৰা ইত্যাদি বিষয় সামৰি লোৱা হয়। উল্লেখ্য যে আজিৰ সভাত ডিএমচি ডিএইচইউ, আইচিডিএছৰ কৰ্মচাৰী, ভিচিডিচিৰ সদস্য, এছএইচজি, ভিঅ', এডব্লিউডব্লিউ তথা বিভিন্ন পৰ্যায়ৰ তিনি শতাধিক মহিলা উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বাস্তৱ শিক্ষা! শ্ৰেণী কোঠা এৰি কণকণ এজাক শিশুৰ চাবুৱাত এখন ব্যতিক্ৰমী বজাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ ফেব্ৰুৱাৰীঃ** সততে কোৱা হয় যে অসমীয়া মানুহে বেহা-বেপাৰ কৰিব নাজানে। এই কথাষাৰক কিন্তু ইতিমধ্যে বহু অসমীয়া ব্যৱসায়ীয়ে ভুল বুলি প্ৰমাণিত কৰিছে। এটা কথা সত্য যে ব্যৱসায় কৰিবলৈ বহু অসমীয়া মানুহ ভয় কৰে। ব্যৱসায়তকৈ চাকৰি-বাকৰিক বেছি গুৰুত্ব দিয়ে। ব্যৱসায়-বাণিজ্যত খটোৱা ধন নষ্ট হোৱাৰ আশংকা কৰি বহু লোকে ব্যৱসায় নকৰে। যদি কৈশোৰ অৱস্থাৰ পৰাই ল'ৰা-ছোৱালীক বেহা-বেপাৰৰ কায়দা শিকাব পৰা যায় তেতিয়া ব্যৱসায় কৰিবলৈ সাহস লাভ কৰিব। ৰাজ্যখনৰ এখন বিদ্যালয়ে সেই চিন্তাকে কৰিছে। ছাত্ৰ-ছাত্ৰীক মানুহৰ মাজলৈ নি বেহা-বেপাৰ কেনেকৈ কৰিব লাগে সেই জ্ঞান দিয়াৰ প্ৰয়াস কৰিছে বিদ্যালয়খনে। বিদ্যালয় হৈছে উজনিৰ ডিব্ৰুগড় জিলাৰ পানীতোলা শিক্ষাখণ্ডৰ দঙ্গৰচুক প্ৰাথমিক বিদ্যালয়। এই বিদ্যালয়খনে গুণগত শিক্ষা প্ৰদানৰ লগতে বাস্তৱিকভাৱে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ ব্যতিক্ৰমী প্ৰয়াস কৰিছে। দঙ্গৰচুক প্ৰাথমিক বিদ্যালয় কৰ্তৃপক্ষই এখন বজাৰ বহুৱাইছে। যিখন বজাৰত এদিনৰ বাবে বিক্ৰেতা



হয় কণ কণ শিক্ষাৰ্থী। শ্ৰেণী কোঠা এৰি বিক্ৰেতাৰ ৰূপত দেখা যায় কণ কণ শিক্ষাৰ্থীক। থলুৱা শাক-পাচলিৰে ভৰপূৰ হৈ থকা অকণিৰ বজাৰখন। নিজৰ বাৰীতে উৎপাদিত লাই-লফা, কঁচু, ঢেকীয়া, অমিতা, জাতিলাও, ৰঙালাও, কবি, আলু, মচুন্দৰী, নৰসিংহ, আদা, তিতাফুলৰ লগতে কুকুৰাৰ কণী, বৰা চাউল পৰ্যন্ত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে বিক্ৰী কৰিবলৈ আনে বজাৰখনলৈ। শ্ৰেণীকোঠা এৰি বিক্ৰেতাৰ ৰূপত ব্যস্ত হৈ পৰে বজাৰখনত। কণ কণ ছাত্ৰ-ছাত্ৰীসকলক গণিতৰ বিভিন্ন জোখ-মাপ, টকাৰ হিচাপ-নিকাচ, ওজন আদিৰ ব্যৱহাৰিক জ্ঞান দিয়াৰ উদ্দেশ্যৰেই বিদ্যালয়ৰ কৰ্তৃপক্ষই স্থাপন কৰিলে এইখন অস্থায়ী বজাৰ। স্থানীয় ৰাইজেও গ্ৰাহকৰ ৰূপত কণ কণ শিক্ষাৰ্থীসকলক উৎসাহ দিয়াৰ মানসেৰে ক্ৰয় কৰে বজাৰৰ শাক-পাচলি। গণিতৰ প্ৰতি থকা ভয়, ব্যৱসায়ৰ প্ৰতি আকৃষ্ট কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষই এই ব্যতিক্ৰমী পদক্ষেপ লৈছে বুলি জানিবলৈ দিয়ে। এদিনৰ বাবে বজাৰখনত সামগ্ৰী বিক্ৰী কৰি ছাত্ৰ-ছাত্ৰীসকলে বিক্ৰেতাৰ অভিজ্ঞতা লাভ কৰে। ধনৰ লেনদেন, জোখ-মাপ, সময়, গণসংযোগৰ ব্যৱহাৰিক জ্ঞান লাভ কৰে। শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়াৰ দিশত পাৰ্গত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ব্যৱসায়ীৰ ৰূপত দেখা যায়। এনেধৰণৰ বাস্তৱসন্মত শিক্ষা ব্যৱস্থা প্ৰদান কৰা দঙ্গৰচুক প্ৰাথমিক বিদ্যালয়ক আন আন বিদ্যালয়সমূহে আদৰ্শ হিচাপে ল'লে অসমৰ শিক্ষাৰ্থীয়ে কিতাপৰ জ্ঞানৰ লগতে বাহ্যিক জ্ঞানেৰে পৰিপুষ্ট হ'ব বুলি চৰ্চা হ'ব ধৰিছে। ৰাজহুৱা খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে বাস্তৱক অনুধাৱন কৰিব পাৰে তাৰ ব্যৱস্থা কৰা কাৰ্যক ৰাইজে শলাগ লয়।

# জীৱন শিল্পী গুৰুজী আদ্য শৰ্মাৰ দশম মৃত্যু বাৰ্ষিকীত 'ৰং ভাৱনা' অনুষ্ঠান আছুৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২২ ফেব্ৰুৱাৰীঃ** জীৱন শিল্পী গুৰুজী আদ্য শৰ্মাৰ দশম মৃত্যু বাৰ্ষিকী উপলক্ষত তেখেতৰ স্মৃতি তৰুণ প্ৰজন্মৰ মাজত যুগমীয়া কৰাৰ উদ্দেশ্যে অইনবেলিৰ দৰে এইবেলিও সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই 'ৰং-ভাৱনা' অনুষ্ঠানৰ আয়োজন কৰে। নলবাৰীস্থিত ডঃ ভূপেন হাজৰিকা শিশু উদ্যানত অনুষ্ঠিত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমৰজ্যোতি মহন্তই আতধৰা 'ৰং ভাৱনা' অনুষ্ঠানত গুৰুজী আদ্য শৰ্মাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৰজিৎ বেজবৰুৱাই। তেওঁ বক্তব্যত গুৰুজীৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি স্মৰণ কৰাৰ লগতে জীৱন শিল্পীগৰাকীৰ নামত এটি বঁটা প্ৰদান কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায় আৰু পাঠ্যপুথিত গুৰুজীৰ জীৱন দৰ্শন অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন কৰে। গুৰুজীৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদে। শিশু উদ্যানত থকা ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট চিত্ৰ শিল্পী খচনুৰ আহমেদে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট চিত্ৰ শিল্পী অবিনাশ মজুমদাৰে। অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰিয়াজউদ্দিন আহমেদ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা গুণজ্যোতি পাঠক, অক্ষয় ডেকা, উৎপল কলিতা, নলবাৰী জিলা উন্নতি সভাৰ সভাপতি হোমেশ্বৰ তালুকদাৰ, অসম সেনাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কন্দৰ্প শৰ্মা, জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, কিশোৰ কলিতা, অৰূপ ৰঞ্জন বৰ্মন আৰু প্ৰাক্তন ছাত্ৰ নেতা ৰুবুল বৰ্মন। দুটা শাখাত অনুষ্ঠিত জিলা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাত 'ক' শাখাৰ প্ৰথম স্থান বৰ্ণিল দাস, দ্বিতীয় স্থান হৃদয় ৰঞ্জন দেৱ গোস্বামী, তৃতীয় স্থান ৰিজৱান চানি আৰু 'খ' শাখাৰ প্ৰথম স্থান গাৰ্গী কাশ্যপ, দ্বিতীয় স্থান যুগৰাজ মজুমদাৰ, তৃতীয় স্থান জ্যোতি প্ৰকাশ মেধিয়ে লাভ কৰে। প্ৰতিযোগিতাৰ শেষত অনুষ্ঠিত বঁটা বিতৰণী সভাত প্ৰতিটো শাখাৰ প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধন, কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদান কৰাৰ লগতে ১০ গৰাকীকৈ প্ৰতিযোগীক পুৰস্কৃত কৰা হয়।

# চাবুৱাত অসম ছাত্ৰ পৰিষদৰ বিনামূলীয়া কোচিং আৰম্ভ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ ফেব্ৰুৱাৰীঃ** অসম গণ পৰিষদ দলৰ ভাতৃ সংগঠন অসম ছাত্ৰ পৰিষদে বিনামূলীয়া কোচিং আৰম্ভ কৰিছে। অসম ছাত্ৰ পৰিষদৰ উদ্যোগত আৰু ইন্সপ্ৰেছন আইএএছৰ সহযোগত অসমৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে অসম লোকসেৱা আয়োগ আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ্থীক প্ৰস্তুত হোৱাত সহায় কৰিবলৈ কোচিং আৰম্ভ কৰিছে। 'মিছন হানড্ৰেড চিভিল ছাৰ্ভেন্ট'ৰ উদ্দেশ্য সফল কৰিবলৈ বিনামূলীয়া প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিছে সংগঠনটোৱে। তাৰেই অংশ হিচাপে চাবুৱাৰ বালিজান চাইডিঙৰ চাবুৱা বালিকা বিদ্যালয়ত আৰম্ভ কৰা বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে, বিভিন্ন সৰ্বভাৰতীয় আৰু কেন্দ্ৰীয় সেৱাৰ নিযুক্তিৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক সক্ষম কৰি তোলাৰ উদ্দেশ্যে ছাত্ৰ পৰিষদে যোৱা দুটা বছৰ ধৰি অসমৰ ভিন্ন স্থানত বিনামূলীয়া প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰি আহিছে। প্ৰায় ৪০গৰাকী শিক্ষাৰ্থীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা অৰ্জন কৰিছে। উক্ত বিনামূলীয়া কোচিঙৰ শুভাৰম্ভ কৰে চাবুৱা সমষ্টিৰ বিধায়ক তথা অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পোনাকণ বৰুৱাই।

বন ধ্বংস কৰাৰ অভিযোগ বন বিষয়া প্ৰাঞ্জল তালুকদাৰৰ বিৰুদ্ধে

# খালিংদুৱাৰ বনাঞ্চলৰ নৰ্নৈ ৰেঞ্জত বন ধ্বংস যজ্ঞ অব্যাহত

**ই-সংবাদ, ডিমাকুছি, ২২ ফেব্ৰুৱাৰীঃ** ওদালগুৰি জিলাত এজনৰ পিছত এজনকৈ বন বিষয়াই চলাইছে বন ধ্বংস যজ্ঞৰ আখৰা। বন বিষয়াৰ ছত্ৰছায়াত লঠঙা হ'বলৈ গৈ আছে এখন চিৰ সেউজীয়া বনাঞ্চল। নিজৰ দোষ ঢাকিবলৈ একাংশ সাংবাদিক আৰু বীৰ লাচিত সেনা অসমৰ সদস্যক দুৰ্ব্যৱহাৰ কৰে বন বিষয়া প্ৰাঞ্জল তালুকদাৰে। ওদালগুৰি জিলাৰ খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ নৰ্নৈ ৰেঞ্জত সংঘটিত হৈ আহিছে এই ভয়ংকৰ ঘটনা। বনদস্যু নহয় এইবাৰ নিজৰ মইমতালিৰে স্বয়ং চৰকাৰী বিষয়া নামিল বন ধ্বংসত। বেজৰ নাকতে খৱৰ দৰে ৰক্ষকেই ভক্ষকৰ ৰূপত স্বয়ং বনবিষয়া প্ৰাঞ্জল তালুকদাৰ। প্ৰাঞ্জল তালুকদাৰৰ হেনো দুৰ্নীতিত লিপ্ত হোৱা বাবে তেজ গৰম হৈ থাকে। বন ধ্বংসৰ কাৰ্যত জড়িত থকা বুলি প্ৰাঞ্জল তালুকদাৰৰ ওপৰত বিভিন্ন দুৰ্নীতিৰ অভিযোগ স্থানীয় লোক আৰু দল-সংগঠনৰ। খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ নৰ্নৈ ৰেঞ্জৰ বনবিষয়া এইগৰাকী প্ৰাঞ্জল তালুকদাৰে ভক্ষকৰ ৰূপত অৱতীৰ্ণ হৈ এফালৰ পৰা বনাঞ্চলখনৰ গছ কাটি তহিলং কৰিলে। বনাঞ্চলখনৰ বহু প্ৰাপ্তবয়স্ক মূল্যৱান গছ কাটি লঠঙা কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে প্ৰকৃতিপ্ৰেমী সচেতন মহলৰ মাজত। ঘটনাৰ চৰজমিন তদন্তৰ বাবে বনাঞ্চলৰ কাৰ্যালয়ত উপস্থিত হয় ডিমাকুছিৰ ই-মিডিয়া ফ'ৰামৰ এদল সাংবাদিকৰ লগতে লাচিত সেনাৰ এটা সঁজাতি দল। কাৰ্যালয়ত উপস্থিত হোৱা মাত্ৰকে সাংবাদিকৰে তৰ্কযুদ্ধত লিপ্ত হোৱাৰ উপৰি ম'বাইল ফোন, কেমেৰা কাঢ়ি নিয়ে বন বিষয়া প্ৰাঞ্জল তালুকদাৰে। আনকি এয়াই নহয় বনাঞ্চলৰ কাৰ্যালয়ত আৱদ্ধ কৰি নিজৰ ব্যৰ্থতা ঢাকিবলৈ বনবিষয়াগৰাকীয়ে সাংবাদিক আৰু লাচিত সেনাৰ দলটোক অকথ্য নিৰ্যাতনৰ উপৰি দুৰ্ব্যৱহাৰো কৰে। ইয়াৰ পূৰ্বেও কোকৰাঝাৰত নিযুক্ত হৈ থকাৰ সময়ত ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰৰ বিৰুদ্ধে আছে বহু অনিয়ম আৰু জালিয়তিৰ অভিযোগ। এফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সেউজ অসমৰ নামত কোটি কোটি খৰচ কৰি গছপুলি ৰোপণৰ অভিলাসী আঁচনি ৰূপায়ণ কৰি আহিছে, আনফালে এইচাম দুৰ্নীতিগ্ৰস্থ বন বিষয়াই বনদস্যুৰে মিতিৰালি কৰি বনাঞ্চলৰ বুকু উদং কৰি আহিছে। চৰকাৰৰ কঠোৰ নীতি আৰু অনুশাসনেও এইসকল বনদস্যুৰূপী বনবিষয়াৰ গা-লৰাব পৰা নাই। মুখ্যমন্ত্ৰীৰ আহ্বানক অংগুষ্ঠ প্ৰদৰ্শন কৰি বনধ্বংসৰ দৰে চৰম অসামাজিক কাৰ্য কৰি সংঘটিত কৰি আহিছে প্ৰাঞ্জল তালুকদাৰৰ দৰে আন বহু বনবিষয়াই। ওদালগুৰিত অকল বন ধ্বংসই নহয় অঞ্চলটোৰ বিভিন্ন নৈৰ বুকুত দীৰ্ঘদিন ধৰি চলিছে বন মাফিয়াৰ হাঁতোৰা। অবাধে সম্পদৰ চলিছে লুণ্ঠন। নদীৰ বুকুৰ অবাধ খননে অঞ্চলটোৰ জৈৱ-বৈচিত্ৰলৈ কঢ়িয়াই আনিছে ভাবুকি। অভিযোগ অনুসৰি বনবিভাগৰ জ্ঞাতসাৰে চলিছে শিল-বালিৰ অবাধ লুণ্ঠন। তদুপৰি খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বহু অঞ্চলত বনবিভাগৰ সহযোগত চলি আছে বহু কাঠফলা মিল। এনে মিলতসমূহত ভৰি আছে নৰ্নৈ বনাঞ্চলৰ বহু মূল্যৱান গছ। কমিচনৰ অংকত বনবিষয়া প্ৰাঞ্জল তালুকদাৰে ব্যৱস্থা নলয় এনে অবৈধ কাৰবাৰৰ বিৰুদ্ধে। ভূটানৰ গাতে লাগি থকা খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ নৰ্নৈ ৰেঞ্জৰ ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰৰ এনে দুষ্কাৰ্যক লৈ নিৰৱ ধনশিৰি বন সংমণ্ডল বিষয়াগৰাকী। বনাঞ্চলখনত চৰকাৰী পৃষ্ঠপোষকতাত চলি থকা বনধ্বংস বন্ধ নহ'লে বীৰ লাচিত সেনাই আন্দোলনৰ পথ গ্ৰহণ কৰাৰ ভাবুকি দিছে। ইফালে, ডিমাকুছি ই-মিডিয়া ফ'ৰামৰ সাংবাদিক নিগ্ৰহৰ অপচেষ্টাত ব্ৰতী হোৱা ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰৰ বিৰুদ্ধে বিটিআৰ প্ৰধান প্ৰমোদ বড়ো আৰু মুখ্যমন্ত্ৰীক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে সাংবাদিক সংগঠন ডিমাকুছি মিডিয়া ফ'ৰামৰ সভাপতি পৱন নাথ আৰু সাধাৰণ সম্পাদক পিংকু কলিতাৰ লগতে বীৰ লাচিত সেনা অসমৰ বিষয়ববীয়াই। বনদস্যু বীৰাপ্পন এইগৰাকী চৰকাৰী বিষয়াৰ বিৰুদ্ধে পৰৱৰ্তী সময়ত বিভাগীয় কৰ্তৃপক্ষৰ লগতে চৰকাৰে কি ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# ৰকিবুল হুছেইনক কৰা আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ

**ই-সংবাদ, মিৰ্জা, ২২ ফেব্ৰুৱাৰীঃ** অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াই সাংসদ ৰকিবুল হুছেইনক কৰা আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিয়ে। তেওঁ কয় যে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে গণতন্ত্ৰৰ ওপৰত পদাঘাত কৰিছে। বিজেপিৰ ভেৰণীয়া গুণ্ডা, দুৰ্বৃত্তই সাংসদগৰাকীৰ ওপৰত বৰ্বৰতাৰে কৰা আক্ৰমণ ঘটনাটো অসমৰ ইতিহাসত ক'লা অধ্যায়ৰূপে বিবেচিত হ'ব। কংগ্ৰেছক ভীতিগ্ৰস্ত কৰি আগন্তুক বিধানসভা নিৰ্বাচনত ৰাইজৰ মাজত যাতে কংগ্ৰেছ দলে পদাৰ্পন কৰিব নোৱাৰে তাৰে যেন আখৰা চলাইছে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰে। আক্ৰমণকাৰীয়ে ক'লা বস্ত্ৰ পৰিধান কৰাৰ বিপৰীতে বগা বস্ত্ৰ মুখত মাৰি আক্ৰমণ কৰিব নেকি বুলি কৰা টুলুঙা মন্তব্য এজন মুখ্যমন্ত্ৰীৰ মুখত শোভা নেপায় তাৰ বিপৰীতে মুখ্যমন্ত্ৰীৰ ভাষ্য বিষয়টোৰ গভীৰতা বুজি অতিশীঘ্ৰে দোষীক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰাৰ মন্তব্য কৰা উচিত আছিল বুলি কয়। সাংসদ এগৰাকীৰে যদি এই চৰকাৰৰ শাসনত নিৰাপত্তা নাইতেতিয়া হ'লে সাধাৰণ জনতাৰ কি নিৰাপত্তা থাকিব বুলি সংবাদ মাধ্যমৰ আগত মতপোষণ কৰে। আনহাতে, অসম প্ৰদেশ কংগ্ৰেছ উপ-সভাপতিগৰাকীয়ে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ কাম-কাজক লৈয়ো অসন্তুষ্টি প্ৰকাশ কৰি কয় যে পলাশবাৰীৰ ৰাইজ তেওঁৰ কাৰ্যকলাপত সন্তুষ্ট নহয়, তেওঁ কেৱল ৰাইজৰ কামৰ নামত মাটিৰ দালালি আৰু কমিচনৰাজ চলাই আছে। ৰাইজ উন্নয়নমূলক কাম বিধায়কগৰাকীয়ে কৰিব পৰা নাই। আগন্তুক বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে বিজেপিক পৰাজিত কৰি চৰকাৰ গঠন কৰিব বুলি দৃঢ়বিশ্বাস আছে ইত্যাদি কথাৰে অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া একপ্ৰকাৰ সৰৱ হৈ পৰে বিজেপি চৰকাৰৰ বিৰুদ্ধে।

# আগমনিত আৰক্ষী চকীৰ কাষত বাৰটা চোৰাং গৰু জব্দ আৰক্ষীৰ

**ই-সংবাদ, গোলকগঞ্জ, ২২ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম পশ্চিমবংগ আৰু বাংলাদেশ ত্ৰি-সীমান্তৰ গোড় ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকীৰ নিচেই কাষতে যোৱা নিশা ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱৰ গাঁওৰক্ষী বাহিনীয়ে অভিযান চলাই বাৰটা চোৰাং গৰু আটক কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, পশ্চিমবংগৰ পৰা চোৰাং গৰু অবৈধভাৱে খেৰবাৰীৰ বিভিন্ন অঞ্চলেৰে অসমত প্ৰৱেশ কৰে। সীমান্তৰে গৰু আনি ৰহস্যজনকভাৱে গোড় ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকীৰ চৌহদৰ কাষেৰে অসম-পশ্চিমবংগ আৰু বাংলাদেশ ত্ৰি-সীমান্তৰ কালজানী নদীৰে বাংলাদেশলৈ চালান কৰে। নিতৌ নিশা জাক জাক চোৰাং গৰু একে পথেৰে বাংলাদেশলৈ চালান হৈ আছে যদিও ৰহস্যজনকভাৱে কুম্ভকৰ্ণৰ নিদ্ৰাত আছে নিৰীক্ষণ চকীটোৰ আৰক্ষী। এনেকৈ গৰুৰ জাক খেতি পথাৰৰ মাজেৰে নিয়াত কৃষকৰ খেতি নষ্ট হয়। এই সন্দৰ্ভত ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱৰ আব্বাছ আলীয়ে নৱেশ্বৰ মাহত স্থানীয় চোৰাং গো-সৰবৰাহত জড়িত সাণ্টু আলী, মণ্টু আলী, আবুল আলীকে ধৰি একাংশৰ বিৰুদ্ধে ধুবুৰী আদালতত গোচৰ তৰে। তিনি জানুৱাৰীত আগমনি থানাৰ আৰক্ষী উক্ত গোচৰৰ তদন্ত কৰিবলৈ যোৱাৰ বাবে চোৰাং বেপাৰীৰ দলে আব্বাছ আলী আৰু তেওঁৰ ভাতৃক মাৰপিট কৰে। খবৰ পাই গোড় ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভদ্ৰেশ্বৰ শৰ্মাৰ নেতৃত্বত আৰক্ষীৰ দল এটা ঘটনাস্থলীত উপস্থিত হয়। গৰুৰ চোৰাং চক্ৰটোৱে ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ শৰ্মাক আক্ৰমণ কৰি সোণৰ চেইন কাঢ়ি নিয়ে। এই সন্দৰ্ভত আগমনি থানাত এজাহাৰ দাখিল কৰে যদিও আৰক্ষীয়ে আজিলৈকে কাকো আটক কৰিবলৈ সক্ষম হোৱা নাই। ইপিনে, ঘটনা সংঘটিত হোৱাৰ পিছৰে পৰা অঞ্চলটোত বৃদ্ধি পাইছে গৰুৰ অবৈধ চোৰাং বেহা। আনহাতে, পথাৰৰ খেতি-বাতি নষ্ট হোৱাত দুৰ্ভোগ ভুগিছে স্থানীয় কৃষকসকল। ইয়াৰ বিপৰীতে কুম্ভকৰ্ণৰ নিদ্ৰাত শুই থকাৰ অভিযোগ গোড় ঝাপুচাবাৰী নিৰীক্ষণ চকীৰ আৰক্ষীৰ বিৰুদ্ধে। যোৱা নিশা ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱৰ গাঁওৰক্ষী বাহিনীয়ে গোপনে অভিযান চলায়। অভিযানত সন্ধিয়া আঠ বজাত নিৰীক্ষণ চকীৰ নিচেই কাষৰ পৰা বাৰটা চোৰাং গৰু আটক কৰে। আন্ধাৰৰ সুযোগ লৈ চোৰাং বেপাৰী পলায়ন কৰিবলৈ সক্ষম হয়। পিছত নিৰীক্ষণ চকীত খবৰ দিয়াত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ গৰুকেইটা জব্দ কৰে। গাঁওৰক্ষী বাহিনীয়ে আটক কৰা গৰুকেইটা আৰক্ষীয়ে অভিযান চলাই আটক কৰা বুলি সাংবাদিকৰ সন্মুখত দাবী কৰা ঘটনাই স্থানীয় ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# শিমলীতোলা-সত্ৰকনাৰা সংযোগী ব্ৰহ্মপুত্ৰত দলং নিৰ্মাণৰ দাবী

**ই-সংবাদ, নগৰবেৰা, ২২ ফেব্ৰুৱাৰীঃ** শিমলীতোলাৰ পৰা বৰপেটা জিলাৰ দক্ষিণপাৰৰ বাঘমাৰা চৰ সুখুৱাৰঝাৰ হৈ সত্ৰকনাৰা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু এখন বৃহৎ দলং নিৰ্মাণৰ দাবী উত্থাপন কৰিছে দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ ৰাইজে। শেষতীয়াকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত অসমৰ প্ৰতিখন জিলাতে উত্তৰ-দক্ষিণ পাৰ সংযোগ হোৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণ কৰিব বুলি বক্তব্য প্ৰদান কৰিছিল। মুখ্যমন্ত্ৰীৰ উক্ত বক্তব্য শীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে বিশেষভাৱে আহ্বান জনাইছে ৰাইজে। চৰাঞ্চলৰ একাংশ সচেতন ব্যক্তিৰ পৰা জানিব পৰা মতে, বৰপেটা জিলাৰ বৰ্তমানৰ চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ তিনি লক্ষাধিক লোক এসময়ত অবিভক্ত কামৰূপ জিলাৰ বাসিন্দা আছিল যদিও পৰৱৰ্তী সময়ত নতুনকৈ গঠন হোৱা বৰপেটা জিলাৰ লগত সংলগ্ন কৰা হয় এইসকল লোকক। ৰাজনৈতিক স্বাৰ্থৰ বাবেই সম্পূৰ্ণ একপক্ষীয়ভাৱে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে বৃহৎ অঞ্চলৰ এইসকল লোকক ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিকভাৱে বহতীয়া কৰি ৰখাৰ বাবেই বৰপেটা জিলাৰ সৈতে চামিল কৰা হয় বুলি ভুক্তভোগী ৰাইজে অভিযোগ উত্থাপিত কৰে। সেই সময়ৰ চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ এনে ভুল তথা অন্যায়ৰ বিৰোধিতা কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ চৰাঞ্চলৰ লোকসকলক কামৰূপ অথবা গোৱালপাৰাৰ সৈতে চামিল কৰণৰ বাবে গণতান্ত্ৰিকভাৱে আন্দোলন কৰিছিল যদিও দুৰ্ভাগ্যজনকভাৱে অঞ্চলবাসীৰ আন্দোলন তথা ন্যায্য দাবীক গুৰুত্বহীন কৰি নিজৰ ক্ষমতা অক্ষুণ্ণ ৰাখিবলৈ চৰাঞ্চলৰে প্ৰভাৱশালী ৰাজনৈতিক নেতাই বাধা প্ৰদান কৰিছিল। সাম্প্ৰতিক পৰিস্থিতিত চেঙা উন্নয়ন খণ্ডৰ কাৰ্যালয় বাঘমাৰা চৰত হোৱাৰ উপৰি চৰাঞ্চলত কেইবাটাও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, থানা, মহকুমা কৃষিবিষয়াৰ কাৰ্যালয়, বিভিন্ন স্কুল-কলেজ, বাঘমাৰা সমবায় সমিতিত প্ৰতিমাহে বৃহৎ পৰিমাণৰ চাউল নাওৰে নদী পাৰ কৰি আনোতে যথেষ্ট কষ্টৰ লগতে আৰ্থিক লোকচানৰ সন্মুখীন হ'ব লগীয়া হয়। পূব গোৱালপাৰা আৰু দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ লাখ লাখ ৰাইজ দৈনন্দিন জীৱনত প্ৰয়োজীয় কামত লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সময় অপচয় হয় লগতে নিদিষ্ট সময়ত গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰে। কেতিয়াবা কেতিয়াবা সামান্য ১০০ টকাৰ কামৰ বাবে নাও ভাৱা, গাড়ী ভাৱা ইত্যাদি কৰি ২০০০ টকাৰো অধিক টকা ভৰিবলগীয়া হোৱাৰ ফলত শাৰিৰীক, মানসিক আৰু আৰ্থিকভাৱে যথেষ্ট লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। ইয়াৰ উপৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰোগী সময়মতে চিকিৎসালয় পোৱাৰ আগতেই মৃত্যুক আঁকোৱালি ল'ব লগা হয়। বাৰিষা কালত নৈৰ বাঢ়নী পানীয়ে কেতিয়াবা বিপদ সীমা অতিক্ৰম কৰাৰ সময়ত প্ৰায় ৫ কিলোমিটাৰৰ অধিক দৈৰ্ঘ্য তুলুঙা নাৱেৰে বিপদসংকুল যাত্ৰা কৰিবলীয়া হয়। ফলত বহু সময়ত নাও দুৰ্ঘটনাত পতিত হৈ বহু লোক মৃত্যুমুখতো পৰিবলগীয়া হয়। শিমলীতোলাৰ পৰা বৰপেটা জিলাৰ দক্ষিণপাৰৰ বাঘমাৰা চৰ সুখুৱাৰঝাৰ হৈ সত্ৰকনাৰা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰিলে বৃহত্তৰ দক্ষিণ বৰপেটাৰ অৰ্থনৈতিক উন্নয়ন ক্ষীপ্ৰ হোৱাৰ লগতে সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিৱৰ্তন ঘটিব দাবী কৰে ৰাইজে। কিছুদিন পূৰ্বে বিধানসভাৰ মজিয়াত দিয়া বক্তব্য আৰু শেহতীয়াকৈ দুখন জিলাক সংযোগ কৰি দলং নিৰ্মাণৰ ঘোষণা কৰা মুখ্যমন্ত্ৰীৰ বক্তব্যক কাৰ্যকৰী ৰূপ দি শিমলীতোলা-সত্ৰকনাৰা সংযোগী দলং অথবা বাঘমাৰা-শিমলীতোলা সংযোগী দলং নিৰ্মাণৰ প্ৰাৰম্ভিক কাম সম্পন্ন কৰিবলৈ দুয়োখন জিলাৰ ৰাইজে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

# ভৱানীপুৰত নৰকংকাল উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, ভৱানীপুৰ, ২২ ফেব্ৰুৱাৰীঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত নহাটীত আজি এটা নৰকংকাল উদ্ধাৰ হোৱাত অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। ভৱানীপুৰ নহাটী নিবাসী বিশ্বজিৎ মেধিৰ বননি আবৃত্ত মাটি এডোৰা জোখ-মাখ কৰিবলৈ যোৱা লাট মণ্ডল আৰু মাটিৰ গৰাকী সহিতে স্থানীয় লোকে নৰকংকালটো প্ৰত্যক্ষ কৰে। ছিন্ন-ভিন্ন অৱস্থাত পৰি থকা নৰকংকালটো সম্পৰ্কে প্ৰত্যক্ষদৰ্শীসকলে স্থানীয় আৰক্ষী চকীক অৱগত কৰে। আৰক্ষীয়ে এই খবৰ পোৱা মাত্ৰকে ভৱানীপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিকাশ জ্যোতি ডেকা, বজালী জিলা আৰক্ষী অধীক্ষক অজাগৰণ বসুমতাৰী, অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞাই ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে নৰকংকালটো উদ্ধাৰ কৰি ইয়াৰ তদন্তৰ বাবে যাৱতীয় কাম-কাজ সম্পন্ন কৰে।

# ছাগলীয়াত বৈদ্যুতিক সামগ্ৰী চুৰি কৰি আটক শ্ৰমিক

**ই-সংবাদ, গোলকগঞ্জ, ২২ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱত বৈদ্যুতিক নিৰ্মাণ কাৰ্যৰ সামগ্ৰী চুৰি কৰি এগৰাকী শ্ৰমিকে কামৰূপ (গ্ৰাম্য) জিলাৰ মিৰ্জা আৰক্ষীৰ হাতত আটক হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আগমনি বিদ্যুত উপ-সংমণ্ডল কাৰ্যালয়ৰ পৰা কৈমাৰী সংলগ্ন ৩৩ কেবি বিদ্যুত সংযোগৰ দায়িত্ব লাভ কৰে তামাৰহাটৰ নৱজ্যোতি ফাৰ্মে। উক্ত কামটো সম্পূৰ্ণ কৰাৰ দায়িত্ব লয় গোৱালপাৰা লক্ষীপুৰৰ ছোহৰাব আলী ছুলতান আলী, আশ্ৰাফুল আলী, ছাদ্দাম আলী, আব্দুল্লা আসাদ আলী আৰু হাবেদ আলীয়ে। উক্ত কামৰ বাবে ছোহৰাব আলীয়ে দুই লাখ চৌৰাশী হাজাৰ টকা ফাৰ্মৰ চোৰা-চিতাৰ দায়িত্বত থকা আলাউদ্দিন মোল্লাৰ পৰা অগ্ৰিম সংগ্ৰহ কৰে। নিৰ্মাণ কাৰ্যৰ সামগ্ৰীবোৰ বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ ইছমাইল উদ্দিন আনছাৰীৰ ঘৰত জমা কৰিছিল। কিন্তু হঠাতে ন ফেব্ৰুৱাৰীত শ্ৰমিককেইজনে সকলো সা-সামগ্ৰী লৈ পলায়ন কৰে। প্ৰায় পাঁচ লাখ টকাৰ সামগ্ৰী চুৰি কৰা বুলি ন ফেব্ৰুৱাৰীত আলাউদ্দিন মোল্লাই ছাগলীয়া আৰক্ষী চকীত এখন এজাহাৰ দিয়ে। উক্ত এজাহাৰৰ ভিত্তিত মিৰ্জা আৰক্ষীয়ে শ্ৰমিককেইজনক আটক কৰি কালি ছাগলীয়া আৰক্ষীক হস্তান্তৰ কৰে। আনহাতে, কামৰ বন্দোবস্তী কৰা ধন নোপোৱা বাবে জমা কৰা সামগ্ৰী লৈ যোৱা বুলি আটকাধীন ছোহৰাব আলীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
8876490887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পৰ্বতঝোৰাৰ টোকৰা গাঁৱত গুৰুমাতা বেহুলা কোচ চাম্পেকৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠান

**ই-সংবাদ, পৰ্বতঝোৰা, ২২ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত টোকৰা গাঁৱত কালি হিন্দু কোচ ৰাভা জনগোষ্ঠীৰ কুলগুৰু পূৰ্ণ চন্দ্ৰ কোচৰ সহধৰ্মিনী বেহুলা কোচ চাপ্লেকৰ আদ্যশ্ৰাদ্ধ ধৰ্মীয় ৰীতি-নীতিৰ মাজেদি সম্পন্ন কৰা হয়। উল্লেখ্য যে গুৰুদেৱ পূৰ্ণ চন্দ্ৰ কোঁচৰ সহধৰ্মিনী তথা গুৰুমাতা বেহুলা কোঁচ চাম্পেকৰ যোৱা ১২ ফেব্ৰুৱাৰীত টোকৰা গাঁৱৰ নিজ বাসভৱনত দেহাৱসান ঘটে। এই উপলক্ষে কালি প্ৰথমে ধৰ্ম পতাকা উত্তোলন কৰে পৰ্বতঝোৰা ঋষিযোগ শিৱ সনাতন ধৰ্ম কমিটীৰ সভাপতি ৰুবল চন্দ্ৰ নগৰাই। অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে জিতেন্দ্ৰ কাৰাই। লগতে এই আদ্যশ্ৰাদ্ধ অনুষ্ঠানত কোকৰাঝাৰ জিলা ঋষিযোগ শিৱ সনাতন ধৰ্মৰ সভাপতি ৰঞ্জিত সুমৰী উপস্থিত থকাৰ লগতে বিভিন্ন ঠাইৰ পৰা অহা সহস্ৰাধিক শিষ্যই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি গুৰু মাতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে হিন্দু কোচ ৰাভা জনগোষ্ঠীৰ কুলগুৰু পূৰ্ণ চন্দ্ৰ কোচে ১৯২৪ চনত আধ্যাত্মিকভাৱে পূৰ্ণতা লাভ কৰি পৰ্বতঝোৰা দলংঝোৰাত ঋষিযোগ শিৱ সনাতন ধৰ্ম প্ৰতিষ্ঠা কৰি হিন্দু ধৰ্মীয় আধ্যাত্মিকতাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। কুলগুৰুজনে প্ৰচাৰ কৰা শিৱ সনাতন ধৰ্মৰ শিষ্য অসম, মেঘালয়, পশ্চিমবংগ ব্যাপি আছে বুলি শিষ্যসকলে জানিবলৈ দিয়ে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE

# চকলাঘাটৰ ঐতিহাসিক সোণাইপাৰ গৌৰীনাথ মন্দিৰত মহা শিৱৰাত্ৰিৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২২ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ঐতিহাসিক সোণাইপাৰ গৌৰীনাথ মন্দিৰত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা সাতদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে শ্ৰী শ্ৰীমহা শিৱৰাত্ৰি মহোৎসৱটি উদযাপনৰ দিহা কৰা হৈছে। এই মৰ্মে, পংকজ শইকীয়াক সভাপতি, ভদ্ৰেশ্বৰ বৰাক কাৰ্যকৰী সভাপতি, ধীৰেন হাজৰিকা, অজিত গোস্বামী আৰু শিৱকান্ত বৰাক উপ-সভাপতি, শিৱ প্ৰসাদ বৰাক সম্পাদক, মদন বৰকটকীক সহকাৰী সম্পাদক তথা উমাকান্ত ডেকাক কৃষ্টি সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি ২৫ ফেব্ৰুৱাৰীত সন্ধিয়া আৰতি আৰু অধিবাস। ২৬ ফেব্ৰুৱাৰীত পুৱাৰ ভাগত ধৰ্মধ্বজা উত্তোলন, বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ আৰু শ্যামকলীয়া আইমাতৃসকলৰ দ্বাৰা নাম পৰিৱেশন কৰা হ'ব। বিয়লি ব্ৰাহ্মণগাঁৱৰ 'নৱ মিলন' দিহানাম দলৰ দ্বাৰা দিহানাম প্ৰদৰ্শনৰ অন্তত সন্ধিয়া মহা শিৱৰাত্ৰি, ৰহাৰ প্ৰিয়দৰ্শিনী নামতি দলৰ নাম পৰিৱেশনৰ লগতে মহাদেৱৰ চাৰি প্ৰহৰ পূজা-অৰ্চনা অনুষ্ঠিত হ'ব। ২৭ ফেব্ৰুৱাৰীত পুৱা যজ্ঞধ্বজা উত্তোলন আৰু ১০০১ গৰাকী মহিলাৰ দ্বাৰা জলাৰোহন কাৰ্যসূচী ৰূপায়ণৰ পিছতে একাদিক্ৰমে গুৰু পূজা, ধৰিত্ৰী পূজা, গো পূজা, স্বৰ্ণ পূজা আৰু মণ্ডপ পূজা অনুষ্ঠিত হ'ব। সন্ধিয়া মহা আৰতি আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৮ ফেব্ৰুৱাৰীত পুৱা বেদী পূজনৰ পিছতে যজ্ঞ আৰম্ভ হ'ব। সন্ধিয়া মহা আৰতি আৰু আকৰ্ষণীয় দিহানাম প্ৰদৰ্শিত হ'ব। ১ মাৰ্চত পুৱা পুনৰ যজ্ঞ আৰম্ভৰ পিছতে নৱ নিৰ্মিত কৈলাশৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব। সন্ধিয়া জোৰা পৰিৱেশনৰ অন্তত বাচকবনীয়া শিল্পীৰ দ্বাৰা অসমীয়া ভাওনা 'দক্ষ যজ্ঞ' প্ৰদৰ্শন কৰা হ'ব। ২ মাৰ্চত পুৱাৰ ভাগত গুৰু পূজা, ধৰিত্ৰী পূজা, গো পূজা, সূৰ্য পূজা আৰু বেদী পূজন আদিৰ লগতে সন্ধিয়া মহা আৰতি আৰু ধৰ্মীয় গীতৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইফালে, ৩ মাৰ্চৰ অন্তিম দিনা দুপৰীয়া পূৰ্ণাহুতি প্ৰদান, প্ৰসাদ আৰু ভোগ বিতৰণৰ অন্তত নৱ নিৰ্মিত কৈলাশ প্ৰতিষ্ঠাৰ সামৰণিত বিশেষ আৰতি অনুষ্ঠিত হ'ব বুলি মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মনেশ্বৰ কলিতা(মন্টু) আৰু সম্পাদক পদ্মকান্ত বৰাই জানিবলৈ দিছে। উক্ত মহা শিৱৰাত্ৰি মহোৎসৱৰ সকলো কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।

# ৰঙিয়া আছুৰ কাৰ্যালয়ত চুৰিকাণ্ড

**ই-সংবাদ, ৰঙিয়া, ২২ ফেব্ৰুৱাৰীঃ** ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত যোৱা নিশা সংঘটিত চুৰিকাণ্ডৰ ঘটনা আজি দিনৰ ভাগত পোহৰলৈ অহাত চাঞ্চল্যৰ সৃষ্টি হয়। ৰঙিয়া নগৰৰ হাইৰে চ'কত অৱস্থিত কাৰ্যালয়টোত নিশাৰ অন্ধকাৰৰ সুযোগত শীততাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ বিভিন্ন মূল্যৱান সামগ্ৰী লুট কৰি নিয়ে। এই ঘটনা সন্দৰ্ভত আজি দিনৰ ভাগত সংগঠনটোৰ নেতৃবৃন্দ অৱগত হৈ ৰঙিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ইয়াৰ পূৰ্বেও চোৰে কাৰ্যালয় টোৰ পৰা দমকল, পানী তোলা মটৰ আদি চুৰি কৰি নিয়ে। ইফালে, কাৰ্যালয়টো সঘনাই চোৰৰ টাৰ্গেট হৈ পৰাৰ পৰিপ্ৰেক্ষিতত নগৰখনত নৈশ পহৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে প্ৰশাসনক দাবী জনায় সংগঠনটোৰ নেতৃবৃন্দই।

# আপকুৰ কামৰূপ জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা, প্ৰীতিভোজ অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, নগৰবেৰা, ২২ ফেব্ৰুৱাৰীঃ** অসমৰ সাংবাদিকসকলৰ ঐক্য মঞ্চ আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন চমুকৈ আপকু'ৰ কামৰূপ জিলা সমিতিৰ এখনি কাৰ্যনিৰ্বাহক সভা আৰু প্ৰীতিভোজ অনুষ্ঠান আজি জিলাখনৰ ঐতিহাসিক নগৰবেৰাৰ পাহাৰপাৰা সমীপৰ বালি চৰত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে দুপৰীয়া সংগঠনটোৰ কামৰূপ জিলা সমিতিৰ সভাপতি হাছানুল আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত আপকুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য, কামৰূপ জিলা আপকুৰ সম্পাদক নিৰেন চন্দ্ৰ মালীয়ে সাংগঠনিক দিশসম্পৰ্কে ভাষণ প্ৰদান কৰাৰ লগতে সাংবাদিকসকলৰ বিশেষকৈ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চৰকাৰক দাবী জনায়। সভাত আমন্ত্ৰিত অতিথি ৰূপে অংশগ্ৰহণ কৰি নগৰবেৰা আঞ্চলিক মৌজা উন্নয়ন সমিতিৰ সভাপতি শ্যামাচৰণ ঠাকুৰীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ দাস, দ্বীপেন মেধি, আলোপতি মাজৰচৰ বজাৰ পৰিচালনা সমিতিৰ সভাপতি আব্দুল ওৱাহাব, আপকুৰ উপদেষ্টা আবুল কালাম আজাদ আদিয়ে ভাষণ প্ৰদান কৰে। তদুপৰি সভাত আলোপতিচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱাশিস কাশ্যপ, নগৰবেৰা আৰক্ষী থানাৰ আৰক্ষী বিষয়া সমৰজিৎ দত্ত, অধ্যাপক আতোৱাৰ ৰহমান, গোৱালপাৰা জিলা আপকুৰ সদস্য জ্যোতিষ নাথ, আব্দুৰ ৰশিদৰ লগতে বৈদ্য মেধি, নুৰ মহম্মদ আলী আদিয়ে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানটিত জিলাখনৰ মিৰ্জা, বকো, সোণতলী, কালাতলী, নগৰবেৰা, ছমৰীয়া, বালিঝাৰ, টুপামাৰী আদি বিভিন্ন ঠাইৰ জিলা আপকুৰ প্ৰায় ৩০ গৰাকী সদস্যৰ মাজত আনুষ্ঠানিকভাৱে সংগঠনটোৰ পৰিচয় পত্ৰ বিতৰণ কৰা হয়। সভাৰ অন্তত সাংবাদিক তথা আমন্ত্ৰিত অতিথিসকলে প্ৰীতিভোজ অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখ্য যে অনুষ্ঠানটিত উদীয়মান কণ্ঠশিল্পী আফছানা ইয়াচমিনে সংগীত পৰিৱেশন কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## পি আৰ চি প্ৰদানৰ দাবীৰে মহাদেৱপুৰ থানা ঘেৰাও ৰাইজৰ

# অৰুণাচলত মৰাণ জনগোষ্ঠীৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ বিশেষ, কাকপথাৰ, ২২ ফেব্ৰুৱাৰীঃ** অৰুণাচল প্ৰদেশত বছৰ বছৰ ধৰি বসবাস কৰা মৰাণ, মটক, আদিবাসী, চাহ জনগোষ্ঠী লোকক স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰ দিয়াৰ দাবীত বহুবছৰ ধৰি জনগোষ্ঠীকেইটাই আন্দোলনৰ পথ গ্ৰহণ কৰি আহিছে যদিও অৰুণাচল চৰকাৰে বিষয়টোৰ ওপৰত কোনোধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই। যাৰ ফলস্বৰূপে আজি অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণ জনগোষ্ঠী ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জানিব পৰা মতে, ১৪ ফেব্ৰুৱাৰীত অৰুণাচল প্ৰদেশৰ ৰাজ্য দিৱস পালনৰ সময়ত স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰ বিচাৰি মৰাণ ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰাৰ অপৰাধত মহাদেৱপুৰ আৰক্ষীয়ে মৰাণ ছাত্ৰ সন্থাৰ বিষয়ববীয়া শৰৎ নেওগ, বগেন বৰুৱা, সুৰজিৎ চেতিয়া, কুশল মৰাণ আৰু মনোজ মৰাণৰ বিৰুদ্ধে চমন জাৰি কৰে। আৰক্ষীৰ চমনৰ ভিত্তিত যুৱককেইজন মহাদেৱপুৰ আৰক্ষী থানাত হাজিৰ হোৱাত আৰক্ষীয়ে যুৱককেইজনক আটক কৰে। নিজৰ প্ৰাপ্য বিচাৰি আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হোৱা মৰাণ ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাকেইজনক আৰক্ষীয়ে আটক কৰাৰ প্ৰতিবাদত আজি সহস্ৰাধিক মৰাণ জনগোষ্ঠীৰ লোক মহাদেৱপুৰ আৰক্ষী থানাত উপস্থিত হৈ আটকাধীন যুৱককেইজনৰ বিৰুদ্ধে ৰুজু কৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাই যদিও মহাদেৱপুৰ আৰক্ষীয়ে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ অমান্তি হোৱাত ৰাইজে মহাদেৱপুৰ আৰক্ষী থানা ঘেৰাও কৰি অৰুণাচল চৰকাৰ হুচিয়াৰ, মহাদেৱপুৰ আৰক্ষী মুৰ্দাবাদ, মৰাণ ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাক বিনাচৰ্তে মুক্তি দিয়ক, আমাক পি আৰ চি দিব লাগিবই, No PRC no rest আদি প্ৰতিবাদী শ্ল'গানে পৰিৱেশ উত্তাল কৰি তোলাৰ লগতে অসম-অৰুণাচল সীমান্ত তালাচী চকীৰ সমীপত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত টায়াৰ জ্বলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, নামচাই জিলাৰ আৰক্ষী অধীক্ষকগৰাকীৰ লগতে দণ্ডাধীশ প্ৰতিবাদস্থলিত উপস্থিত হৈ আন্দোলনকাৰীৰ লগত আলোচনাত মিলিত হৈছে যদিও বৰ্তমানলৈকে কোনো মীমাংসা হোৱা নাই বুলি জানিব পৰা গৈছে।

# মঙলদৈত মহিলা শ্ৰমিকৰ কৰুণ মৃত্যু

**ই-সংবাদ, মঙলদৈ ২২ ফেব্ৰুৱাৰীঃ** মঙলদৈ ষ্টেডিয়ামত আজি এক হৃদয়বিদাৰক দুৰ্ঘটনা সংঘটিত হয়। ঢালাই মেচিনৰ খুন্দাত নিহত হয় ষ্টেডিয়াম আধুনিকীকৰণৰ কামত নিয়োজিত এগৰাকী মহিলা নিৰ্মাণ শ্ৰমিক। নিহত মহিলা শ্ৰমিকগৰাকী মঙলদৈ থানা এলেকাৰ বাঘপৰি গাঁৱৰ প্ৰয়াত জামালুদ্দিন মোল্লাৰ কন্যা বেৰুনী বেগম (৩০) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে, অসম ক্ৰিকেট সন্থা (এ চি এ )ৰ তত্বাৱধানত তথা এ চি এৰ আৱণ্টিত পুঁজিৰে মঙলদৈ ষ্টেডিয়ামৰ আধুনিকীকৰণৰ কাম চলি আছে। এই কামৰ অংশ হিচাপে ষ্টেডিয়ামৰ পানী নিষ্কাশনৰ বাবে নলা নিৰ্মাণৰ কাম চলি থকা অৱস্থাতে মেচিনত শিল-বালি-চিমেণ্ট দি থকা অৱস্থাত মহিলা শ্ৰমিকগৰাকীৰ চুৰ্ণী অপ্ৰত্যাশিতভাৱে মেচিনত পাক খাই লাগি ধৰাত মূৰত প্ৰচণ্ড আঘাত পায়। সহকৰ্মী শ্ৰমিকসকলে ততাতৈয়াকৈ তেওঁক মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও ইতিমধ্যে শ্ৰমিকগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। নিহত শ্ৰমিকগৰাকীৰ আজি মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয় আৰু মৃতদেহ পৰিয়ালক চমজাই দিয়া হয়। আনহাতে, দুৰ্ভাগ্যজনক ঘটনাটোত গভীৰ দুখ প্ৰকাশ কৰি মঙলদৈ ক্ৰীড়া সন্থাৰ সভাপতি গুৰুজ্যোতি দাসে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।



**মৃত্যুবাৰ্ষিকীত ডাঙৰীৰ পঞ্চ শ্বহীদৰ সমাধিস্থলীত বাৰ্ষিক শ্ৰাদ্ধ সম্পন্ন, শনিবাৰে**

# কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ত শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা, গ্ৰন্থ উন্মোচন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড় জিলাৰ পানীতোলা শিক্ষাখণ্ডৰ অন্তৰ্গত পি এম শ্ৰী কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মাধৱী ফুকনৰ বিদায় সম্ভাষণ অনুষ্ঠানত তেখেতৰ দ্বাৰা ৰচিত শিশু উপযোগী গ্ৰন্থ 'শিকোঁ আহা' উন্মোচন কৰা হয়। বিদ্যালয়ত ব্যৱহৃত বিভিন্ন বিষয় সামৰি যুগুতাই উলিওৱা লক্ষীপথাৰ প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনি উন্মোচন কৰে চাবুৱা শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক তথা চাবুৱা কবি সন্মিলনৰ সম্পাদক জয়ন্তজিৎ বৰুৱাই। গ্ৰন্থখনি উন্মোচন কৰি বৰুৱাই কয় যে শিক্ষক হিচাপে চাকৰি জীৱনৰ পৰা বিদায় ক্ষণত এখনি গ্ৰন্থ উপহাৰ দি যোৱাটো এক মহৎ আৰু উপযোগী কাম। তেনে এক কামৰ জৰিয়তে বাইদেউৰে তেখেতৰ অনাগত দিনত যে আৰু সৃষ্টি কৰিব পাৰিব সেইয়া ধ্ৰুৱপ। এনে এক প্ৰদক্ষেপ হাতত লোৱা বাবে লক্ষীপথাৰ প্ৰকাশনৰ সঞ্চালক দেৱজীত শইকীয়াৰ শলাগ ল'বয়েই লাগিব। অনাগত দিনত তেখেতে তেনেধৰণৰ আৰু প্ৰদক্ষেপ হাতত লব বুলি আশা ব্যক্ত কৰে। আনহাতে, লক্ষীপথাৰ প্ৰকাশনৰ সঞ্চালক দেৱজীত শইকীয়াই কয় যে বিদায়ী শিক্ষয়িত্ৰী মাধৱী ফুকনৰ বহু প্ৰতিভা লুপ্ত হৈ আছে সেয়া ইতিপূৰ্বে প্ৰকাশিত তেখেতৰ লিখনিত প্ৰমাণ পোৱা গৈছে। এতিয়া অৱসৰকালীন সময়ছোৱাত তেখেতৰ আৰু গ্ৰন্থ নিশ্চয় প্ৰকাশ পাব বুলি তেখেতে আশা ব্যক্ত কৰে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী নিতামনি দত্তই আঁতধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰূপৰেখা গগৈয়ে। পানীতোলা প্ৰাথমিক শিক্ষা খণ্ডৰখণ্ড সমল সমন্বয়ক ক্ৰমে প্ৰাণজিতা দুৱৰা, দেৱজিত শইকীয়া আৰু গোবিন্দ দাস উপস্থিত থকা অনুষ্ঠানটোত বিদ্যালয়ৰ প্ৰধান শিক্ষক মুকুল হাজৰিকাৰ লগতে পৰিচালনা সমিতিৰ বিষয়ববীয়া, অভিভাৱক, প্ৰাক্তন শিক্ষাৰ্থী, বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, ৰাইজৰ উপৰিও প্ৰতিগৰাকী শিক্ষয়িত্ৰীয়ে গামোচা, চেলেং, শৰাই-সফুৰা, ফুলৰ টোপা আদিৰে পৃথক পৃথককৈ সম্ভাষণ জ্ঞাপন কৰে। লগতে অনাগত দিনবোৰতো তেখেতৰ তৰফৰপৰা সহযোগিতা কামনা কৰে। আনহাতে, মাধৱী ফুকনৰ সাহিত্য সৃষ্টিৰ দিশত আগুৱাই যোৱা দেখি বিদ্যালয়খনৰ শিক্ষয়িত্ৰীসকলে অৱসৰকালীন বিদায়ৰ ক্ষণতো তেওঁলোক সুখী হৈছে বুলি মন্তব্য আগবঢ়ায়। অৱসৰগ্ৰহণ কৰা পিছতে মাধৱী ফুকনে আগবঢ়োৱা সাহিত্য সৃষ্টিৰ দিশটোৱে তেওঁলোকক গৰ্বিত কৰি তুলিছে বুলিও মন্তব্য আগবঢ়াই অন্য এখন বিদ্যালয়ৰ শিক্ষয়িত্ৰী কবিতা চুতীয়া আৰু ৰঞ্জন শইকীয়াই। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন নৃত্য-গীতৰ সমাহাৰেৰে জীপাল হোৱা অনুষ্ঠানটোত সকলোৰে সহযোগিতা আৰু তেখেতলৈ জনোৱা মৰমক শলাগ লৈ বিদায়ী শিক্ষয়িত্ৰী মাধৱী ফুকনে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।

# কলিতা জনগোষ্ঠী সন্মিলনৰ পকামূৰা আঞ্চলিক সমিতি গঠন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২২ ফেব্ৰুৱাৰীঃ** কলিতা জনগোষ্ঠী সন্মিলনৰ পকামূৰা আঞ্চলিক সমিতিখন ২২ ফেব্ৰুৱাৰীত পকামূৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গঠন কৰে। প্ৰসন্ন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জয়ন্ত হাজৰিকাক সভাপতি, ৰাতুল নেওগ, গোলেশ্বৰ বৰাক উপ-সভাপতি, নিৰঞ্জন বৰুৱাক সাধাৰণ সম্পাদক, মহেন্দ্ৰ নাথ বৰা, লৰকান্ত হাজৰিকা, মিঞ্জু বৰুৱাক সহকাৰী সম্পাদক, জ্যোতি বৰুৱা, গোলেশ্বৰ হাজৰিকাক সাংগঠনিক সম্পাদক, পল্লৱী হাজৰিকাক প্ৰচাৰ সম্পাদক, বীৰেন শইকীয়াক কোষাধ্যক্ষ আৰু ১২ গৰাকীক সদস্যৰূপে লৈ সমিতিখন গঠন কৰা হয়। ৰাজ্যিক সমিতিৰ উপ-সভাপতি দিগন্ত দত্ত, সাংগঠনিক সম্পাদক কেশৱ বৰদলৈ, যোৰহাট জিলাৰ সভাপতি জীতেন শইকীয়া, কাৰ্যকৰী সভাপতি মুনিন বৰা, প্ৰচাৰ সম্পাদক ৰমেন শইকীয়াৰ উপস্থিতিত অনুষ্ঠিত সভাখনত আঞ্চলিক সমিতিখনৰ উপদেষ্টাৰূপে প্ৰবীণ বৰুৱা, দিলীপ বৰুৱা, ফণীধৰ হাজৰিকা, দেবেন হাজৰিকা, হৰেন কলিতা, জীৱেশ্বৰ কলিতা আৰু পৱন ভুঞাক উপদেষ্টাৰূপে মনোনীত কৰে। ৭০ নং খঙীয়া গাঁও পঞ্চায়ত এলেকাত এই সমিতিখনে কলিতা জনগোষ্ঠীৰ লোকসকলক অন্তৰ্ভুক্ত কৰি প্ৰতিখন গাঁৱতে শাখা সমিতি গঠন কৰিবলৈ সভাখনতে দায়িত্ব অৰ্পণ কৰে। আগন্তুক দিনত নতুন সমিতিখনে সংগঠনটোৰ লগতে জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ উপৰি ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশত আগৰণুৱা ভূমিকা গ্ৰহণৰ সংকল্প লয়।

# লাহৰীঘাটৰ টেঙাগুৰি পঞ্চায়তৰ সচিবৰ বিৰুদ্ধে প্ৰতিবাদ

**ই-সংবাদ, লাহৰীঘাট, ২২ ফেব্ৰুৱাৰীঃ** মৰিগাঁৱৰ লাহৰীঘাটত অৰুণোদয় হিতাধীকাৰী বাচনিত ব্যাপক অনিয়মৰ গুৰুতৰ অভিযোগ উঠিছে। লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত টেঙাগুৰি গাঁও পঞ্চায়তত এই বাচনি প্ৰক্ৰিয়াত অনিয়মৰ অভিযোগ উঠিছে। অৰুণোদয় আঁচনিৰপৰা বঞ্চিত একাংশ মহিলাই পঞ্চায়তখনৰ সচিব আব্দুল্লাহ হাজৰিকাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। পঞ্চায়তখনৰ সচিবজনে অৰুণোদয় বাচনিত প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি ধনৰ বিনিময়ত হিতাধীকাৰী বাচনি কৰা বুলি মহিলাসকলে অভিযোগ উত্থাপন কৰিছে। টেঙাগুৰি গাঁও পঞ্চায়তৰ একাংশ মহিলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বুথ কমিটিয়ে বাচনি কৰা প্ৰকৃত হিতাধিকাৰীৰ নাম কৰ্তন কৰি সচিব আব্দুল্লাহ হাজৰিকাই নিজৰ পছন্দৰ ব্যক্তিক অগ্ৰাধিকাৰ দিয়া বুলি মহিলাসকলে অভিযোগ উত্থাপন কৰে। পঞ্চায়তখনৰ দৰিদ্ৰ, বিধৱা আৰু বিশেষভাৱে সক্ষম মহিলাক বঞ্চিত কৰি হিতাধীকাৰীৰ তালিকা প্ৰস্তুত কৰাত সচিবজনৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে। পূৰ্বৰ তালিকা কৰ্তন কৰি পুনৰ প্ৰকৃত হিতাধিকাৰীক অগ্ৰাধিকাৰ প্ৰদান কৰি তালিকা প্ৰস্তুত কৰিবলৈ দাবী জনায় প্ৰতিবাদকাৰী মহিলাসকলে।

# দিখৌৰ বুকুত অবাধ শিল খননক লৈ সৰৱ যুৱ-ছাত্ৰ পৰিষদ

**ই-সংবাদ, গেলেকী, ২২ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তত মধুৰ সমন্বয়ৰ চানেকি বহন কৰি আহিছে বৰশিল নামৰ ঐতিহাসিক পৰ্যটনস্থলীয়ে। উজনি অসমৰ সীমান্তত দুখন ৰাজ্যৰ মাজৰ সংগমস্থলী হিচাপে পৰিগণিত হৈ আহিছে এই বৰশিল। অসমৰ অন্যতম ঐতিহাসিক আৰু বুৰঞ্জীপ্ৰসিদ্ধ এই বৰশিলৰ অস্তিত্বলৈ সম্প্ৰতি ভাবুকি নামি আহিছে। বৰ্তমান এই পৰ্যটনস্থলী ধ্বংসৰ গৰাহলৈ গতি কৰা বুলি অভিযোগ কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিয়ে। এই বিষয়ে জিলা সমিতিখনে নাজিৰা সমজিলা আয়ুক্তৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে। শিৱসাগৰ জিলা সমিতিৰ সভাপতি পলাশ ৰাজকোঁৱৰ আৰু সাধাৰণ সম্পাদক প্ৰয়াস গোস্বামীৰ স্বাক্ষৰিত স্মাৰক-পত্ৰখনিত সংগঠনটোৱে উল্লেখ কৰিছে যে কেইজনমান প্ৰকৃতি ধ্বংসকাৰীয়ে চৰকাৰক ৰাজহ আৰু নথি-পত্ৰ ফাঁকিৰে লক্ষ্মিজান শিলনিত দিখৌ নৈৰ বুকুত শিল খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। নাজিৰা সমজিলাৰ অধীনস্থ লক্ষ্মীজান বন কাৰ্যালয়ৰ অন্তৰ্গত দিখৌ নৈৰ লগতে ইয়াৰ দাঁতি-কাষৰীয়া ঠাইত বন বিষয়াৰ জ্ঞাতে অকৰ্তৃত্বশীলভাৱে অবাধ গতিত অব্যাহত ৰাখিছে শিলৰ খনন। এনেদৰে দিখৌৰ বুকুত নৈৰ খনন অব্যাহত থাকিলে ঐতিহাসিক বৰশিল ধ্বংস হৈ ইয়াৰ অস্তিত্ব নাথাকিব। গতিকে অনতিপলমে দিখৌ নৈৰ বুকু খনন বন্ধ কৰাৰ লগতে ঐতিহাসিক বৰশিলৰ সংৰক্ষণৰ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিয়ে।

# প্ৰতিষ্ঠা দিৱস উপলক্ষে কামপুৰত অনুসূচীত জাতি যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সভা

**ই-সংবাদ, কামপুৰ, ২২ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ অসম অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ নৱম প্ৰতিষ্ঠা দিৱসৰ লগতে নগাঁও জিলা কমিটিৰ সাধাৰণ সভাখন যোৱা ২১ ফেব্ৰুৱাৰীত কামপুৰত অনুষ্ঠিত হৈ যায়। সংগঠনটোৰ প্ৰতিষ্ঠা দিৱসত অসম লোকসেৱা আয়োগৰ কেলেংকাৰীৰ লগতে অসমত বৰ্তমান চৰ্চাত থকা কেবাটাও বিষয়ৰ ওপৰত বহু গুৰুত্বপূৰ্ণ মন্তব্য সাংবাদিকক আগবঢ়ায় কেন্দ্ৰীয় সভাপতি ৰুবুল দাসে। অসম লোকসেৱা আয়োগৰ সম্পৰ্কত তদন্ত আয়োগৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পিছত এই প্ৰতিবেদনত নাম উল্লেখ থকা সকলো লোকক কঠোৰ শাস্তি দিয়াৰ দাবী জনায়। দাসে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ২০১৩ -১৪ বৰ্ষত এ পি এছ চিত অবৈধভাৱে নিযুক্তি হোৱা বিৰুদ্ধে অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদে প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু ইয়াৰ বাবে একাংশই জে'লৰ ভাত খাবলগীয়া হৈছিল। শেহতীয়াভাৱে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত নাম উল্লেখ থকা প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসক শীঘ্ৰে পদৰ পৰা অপসাৰণ কৰাৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী ওচৰত দাবী জনায় অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰুবুল দাসে। দাসে এ পি এছ চি কেলেংকাৰীয়ে অসমৰ সমাজ জীৱন কলুষিত কৰা বুলি কৈ তদন্ত প্ৰতিবেদনত উল্লেখ থকা মীন বিভাগৰ অধ্যক্ষ গুৰুজ্যোতি দাসকে ধৰি সকলোকে কঠোৰ শাস্তি দিয়াৰ দাবী জনায়। তেওঁ এই কেলেংকাৰীৰ বিৰুদ্ধে আন্দোলন কৰা কোনো আন্দোলনকাৰীৰ নাম যদি প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে তদন্ত প্ৰতিবেদনত নাম সন্নিৱিষ্ট হৈছে তেওঁলোককো কঠোৰ শাস্তি দিয়াৰ দাবী জনোৱাৰ লগতে কংগ্ৰেছ-বি জে পিকো এ পি এছ চিক লৈ ৰাজনীতি নকৰিবলৈ সকিয়নী দিয়ে। সভাপতি ৰুবুল দাসে ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনক বৰ্বৰতাৰে আক্ৰমণ কৰা ঘটনাক গৰিহণা দি ইয়াৰ উপযুক্ত তদন্ত বিচাৰে। উল্লেখ্য যে উক্তদিনা নগাঁও জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা এই প্ৰতিষ্ঠা দিৱসৰ পুৱা পতাকা উত্তোলন কৰাৰ পিছত আম্বেদকাৰৰ প্ৰতিছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰাৰ পিছত মুকলি সভা অনুষ্ঠিত হয় ৰাজ্যিক সভাপতি ৰুবুল দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকে উপ-সভাপতি জিতু কাকতি; সম্পাদক অমৃত প্ৰাণ দাস; সহ সম্পাদক নৱ কুমাৰ দাস; কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পংকজ বনীয়া। সভাখনৰ আঁতধৰে মুখ্য আহ্বায়ক তাপস দাসে।

# নগাঁৱত ছিনিয়ৰ হকীৰ ফাইনেলত নগাঁও-ডিব্ৰুগড়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২২ ফেব্ৰুৱাৰীঃ** অসম হকী আৰু নগাঁও ক্ৰীড়া সংস্থাৰ যৌথ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত ক্ৰীড়াপ্ৰেমীৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে চলি থকা ১৫সংখ্যক অসম আন্তঃজিলা ছিনিয়ৰ মহিলা হকী প্ৰতিযোগিতাৰ কাইলৈ বিয়লি ১-৪৫ বজাত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত ডিফেণ্ডিং চেম্পিয়ন ডিব্ৰুগড় দলে যোৱাবাৰৰ ৰাণাৰ্ছ আপ নগাঁও দলৰ বিৰুদ্ধে খিতাপ লাভৰ যুঁজত পুনৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে জানিবলৈ দিয়ে। মুঠ-১৪ টা দলৰ যোগদানৰে আয়োজিত এই প্ৰতিযোগিতাৰ আজি বিয়লি অনুষ্ঠিত ছেমি ফাইনেলত ডিব্ৰুগড় দলটোৱে গুৱাহাটীক ৭-১ গ'লত আৰু ঘৰুৱা দল নগাঁওৱে শদিয়াক ৩-১ গ'লত হৰুৱাই ফাইনেলত উপনীত হৈছে। আনহাতে, আগবেলা অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত নগাঁও দলে তিনিচুকীয়াক ৩-০ গ'লত, ডিব্ৰুগড়ে লখিমপুৰক ৭-০ গ'লত, গুৱাহাটীয়ে ভেৰগাঁৱক ৪-০ গ'লত আৰু শদিয়া দলে বঙাইগাঁও দলক টাইব্ৰেকাৰত সামগ্ৰিকভাৱে ৪-১ (১-১) গ'লত পৰাজিত কৰিছিল। নগাঁও বনাম শদিয়াৰ মাজৰ ছেমিফাইনেল খেলখনত নগাঁৱৰ হৈ প্ৰিয়ংকাই তিনিটাকৈ গ'ল দি হেট্ৰিক কৰাৰ বিপৰীতে শদিয়া দলটোৰ হৈ স্বপ্নালী মুড়াই একমাত্ৰ গ'লটো দিয়ে। আজি আনখন ছেমিফাইনেলত ডিব্ৰুগড় দলটোৰ হৈ সুনীতা ৰাজপুতে তিনিটা, ৰিটু বাউৰীয়ে দুটা, অস্মিতা টিগ্গা আৰু মেক্সিমা খালক'য়ে এটাকৈ গ'ল দিয়াৰ বিপৰীতে গুৱাহাটীৰ হৈ মুনু ডেকাই একমাত্ৰ গ'লটো দিয়ে।



ডব্লিউপিএলত ইউপি ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে এটা অভিনৱ কেচ দিল্লী কেপিটেলছৰ নিকিতাৰ



চেম্পিয়নছ ট্ৰফীৰ ইংলেণ্ড-অষ্ট্ৰেলিয়াৰ খেলৰ পূৰ্বে লাহোৰৰ গাদ্দাফি ষ্টেডিয়ামৰ বাহিৰত পতাকা বিক্ৰীত ব্যস্ত এজন প্ৰৌঢ়

## দুলীয়াজান মিডিয়া চেণ্টাৰত এথলেটিক্স ক্লাবৰ সংবাদ মেল

# দুলীয়াজান এথলেটিক্স ক্লাবৰ উদ্যোগত হাফ মাৰাথন প্ৰতিযোগিতা

**ই-সংবাদ, দুলীয়াজান, ২২ ফেব্ৰুৱাৰীঃ** দুলীয়াজানৰ প্ৰয়াত ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক তথা সংবাদকৰ্মী অলক ৰঞ্জন বড়া, ক্ৰীড়াবিদ গিৰিন সোণোৱাল আৰু সঞ্জীৱ ৰাণাৰ সোঁৱৰণত দুলীয়াজান এথলেটিক্স ক্লাবে এক হাফ মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আগন্তুক ২৭ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত যোগদানৰ বাবে প্ৰতিযোগী সকলে https:llforms.gle/twTVPIHJBALECOMUS লিংকত ১০ মাৰ্চৰ পূৰ্বে পঞ্জীয়ন কৰিব লাগিব। বুধবাৰে সন্ধিয়া দুলীয়াজান মিডিয়া চেণ্টাৰত দুলীয়াজান এথলেটিক্স ক্লাবে আহ্বান কৰা এখন সংবাদ মেলত জানিবলৈ দিয়ে যে, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই হাফ মাৰাথন পুৰুষ-মহিলা উভয় শাখাতে অনুষ্ঠিত হ'ব আৰু প্ৰতিযোগীসকলে মুঠ ২১.২ কিলোমিটাৰ পথ অতিক্ৰম কৰিব লাগিব। পুৱা ৫.৩০ বজাত দুলীয়াজান নেহৰু ময়দানত আৰম্ভ হৈ এই মাৰাথন অইল ফায়াৰ বিগ্ৰেডৰ সন্মুখেদি পিপলতল তিনিআলি, ১৬ নম্বৰ তিনিআলি, হুকুতা চাৰিআলি, মধুটিং তিনিআলিয়েদি নাওশলীয়াৰ পেট্ৰল পাম্পৰ পৰা ঘুৰি পুনৰ একেপথেৰে হুকুতা চাৰিআলিৰ পৰা বিহুতলী হৈ পুনৰ নেহেৰু ময়দানত সামৰণি পৰিব। দুয়োটা শাখাৰ প্ৰথম পুৰস্কাৰ ত্ৰিশ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ বিশ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ পোন্ধৰ হাজাৰ টকাৰ লগতে চতুৰ্থৰ পৰা দশমলৈকে স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলক তিনি হাজাৰকৈ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে সংবাদ মেলত ঘোষণা কৰে। সংবাদমেলখনত দুলীয়াজান এথলেটিক্স ক্লাবৰ উপদেষ্টা মহম্মদ বকবুল ইছলাম, সঞ্জীৱ ৰায়, জয়ন্ত ভূঞা, কাৰ্যকৰী সভাপতি বেণুধৰ বড়া, উপ সভাপতি জগাৰ ৰাও, জয়ন্ত গগৈ আদি উপস্থিত থাকে। হাফ মাৰাথনৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীসকলক ৭০০২৩১২৪০৬, ৭০০২৩৭৬৭৫৯, ৯১২৭১০৫৪৬৭ অথবা ৮৮২২১৭৯২৬৬ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# চামতাত নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিভাগৰ ক্ৰিকেট প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, চামতা, ২২ ফেব্ৰুৱাৰীঃ** নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিভাগৰ উদ্যোগত আজি চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয় নলবাৰী জিলা আন্তঃ শিক্ষা বিষয়া কাৰ্যালয় একাদশ ক্ৰিকেট প্ৰতিযোগিতা। প্ৰতিযোগিতাত বৰক্ষেত্ৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয় একাদশে পশ্চিম নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয় একাদশক পৰাজিত কৰি ৭ উইকেটত জয়লাভ কৰিছে। চূড়ান্ত খেলখনত প্ৰথমে বেট ধৰি পশ্চিম নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয় একাদশে নিৰ্ধাৰিত ৬ অভাৰত ৫ উইকেটৰ বিনিময়ত ৬০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বৰক্ষেত্ৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয় একাদশে ৩ উইকেটৰ বিনিময়ত সম্পূৰ্ণ অভাৰত বিজয় লক্ষ্যত উপনিত হয়। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ বটা লাভ কৰে পশ্চিম নলবাৰী শিক্ষা খণ্ডৰ কমলেন্দ্ৰ ভৰালীয়ে। শ্ৰেষ্ঠ বেটচমেন বঁটা লাভ কৰে পূব নলবাৰী প্ৰাথমিক শিক্ষা খণ্ডৰ দিপাংকৰ দৈমাৰীয়ে। চূড়ান্ত খেলৰ শ্ৰেষ্ঠ বঁটা লাভ কৰে বৰক্ষেত্ৰী শিক্ষা খণ্ডৰ ৰতুল হালৈয়ে। মিন্টু বৰ্মনে আঁতধৰা বঁটা বিতৰণী সভাত নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত ডেকা, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সভাপতি যতীন শৰ্মা, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্য, ভৱেশ তালুকদাৰ, চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিত্যানন্দ শৰ্মা আদি উপস্থিত থাকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি